# অৱতৰণিকা

মানৱৰ ইতিহাসৰ সমানে চুটিগল্পৰ পৃষ্ঠভূমিৰ ইতিহাস প্ৰাচীন। পৃথিৱীৰ সকলো সাহিত্যই এই প্ৰাচীনত্ব গৰকি আহিছে। পোনতে নানা জীৱ-জন্তুৰ ওপৰত মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰোপ কৰি কোনো কাহিনীৰ চৰিত্ৰ নিৰ্মাণ কৰা হৈছিল। ইয়াৰ জৰিয়তে সামূহিক অভিজ্ঞতা, কল্পনা আৰু সময় প্ৰবাহৰ প্ৰতিফলন দেখা গৈছিল। এইবোৰ পদ্যছন্দত ৰচিত আৰু ঘাত-প্ৰতিঘাতৰ অন্তত মানুহৰ জীৱনলৈ সুখ-শান্তি ঘূৰি অহাৰ আদৰ্শেৰে ধনাত্মক আছিল। খৃষ্টপূৰ্ব দুহেজাৰ বছৰৰ The Epic of Gilgamesh আৰু The Shipwrecked Sailor আদি এনে প্ৰাচীন কাহিনী পৰম্পৰাৰে নিদৰ্শন।

কাহিনী সাহিত্যত ভাৰতবৰ্ষ প্ৰাচীন তথা চহকী। আনকি ইউৰোপীয় মৌখিক সাহিত্য ভাৰতবৰ্ষৰ কাহিনী সাহিত্যৰ প্ৰভাৱত গঢ় লোৱা। এই ক্ষেত্ৰত ভাৰতৰ সংহিতা আৰু ব্ৰাহ্মণ আদিৰ নানা অংগত থকা কাহিনীবোৰ, ঋকবেদৰ কাহিনী পৈশাচী ভাষাত লিখা গুণাঢ্যৰ 'বৃহৎ কথা', পালি ভাষাত ৰচিত 'জাতক', সংস্কৃতৰ 'কথা সৰিৎসাগৰ; 'বৃহৎ কথা মঞ্জুৰী', 'দশকুমাৰ চৰিত', 'হিতোপদেশ', 'পঞ্চতন্ত্ৰ' আদিৰ দ্বাৰা ইউৰোপীয় কাহিনী সাহিত্য গঢ় লোৱাৰ কথাটো বিশেষ মনকৰিবলগীয়া। আনকি ব্ৰহ্মদেশ, মালয়, সুমাত্ৰা, কম্বোডিয়া, চীন আৰু জাপান আদিৰ সাহিত্যতো এনে প্ৰভাৱ থকাটো প্ৰমাণসিদ্ধ।

কাহিনী কথনৰ এই কেইবা হেজাৰ বছৰীয়া পৰম্পৰাৰ আধুনিক ৰূপ হ'ল চুটিগল্প। মূলতঃ ই হ'ল আধুনিক মানুহৰ মনৰ ভাৱ প্ৰকাশৰ এক কলাত্মক মাধ্যম। জগত আৰু জীৱনৰ ৰূপ-বৈচিত্ৰৰ মাজত মানুহৰ মনত যি অনুভৱৰ আৱিৰ্ভাৱ হয়, তাৰ ফলতে সাহিত্যৰ আন শাখাৰ দৰে চুটিগল্পৰো জন্ম। লক্ষ্মীনাথ বেজবৰুৱাৰ যোগেদি অসমীয়া সাহিত্যত ইয়াৰ আমদানি ঘটে। ইয়াৰ মূলতে পাশ্চাত্য প্ৰভাৱ। অৱশ্যে পৰৱৰ্তী ভালেকেইগৰাকী গল্পকাৰে উক্ত আমদানিকৃত সাহিত্য ধাৰাক প্ৰসাৰতা প্ৰদান কৰে। লক্ষ্মীনাথ ফুকনো এই গল্পকাৰসকলৰ মাজৰে অন্যতম। মানুহৰ প্ৰতি থকা অপাৰ ভালপোৱা আৰু সহমৰ্মিতাৰে উদ্বুদ্ধ হৈ তেওঁ ভালেকেইটা চুটিগল্প ৰচনা কৰিছে। বৈচিত্ৰ্যপূৰ্ণ ঘটনাবহুল মানৱ জীৱনৰ এক অংশকালীন প্ৰতিচ্ছবি এই গল্পসমূহত পোৱাৰ

সুবিধা আছে। মানৱীয় আৱেগ-অনুভূতিৰ উপৰিও জীৱনৰ অনিত্যতা আৰু সাৰ্বজনীনতাৰ সংবাদো ইয়াত ঘোষিত হৈছে। এক কথাত লক্ষ্মীনাথ ফুকনৰ এই গল্পবোৰ যেনেদৰে কাহিনী কথনৰ আদিম পৰম্পৰাৰ বাহক তেনেদৰে আধুনিক যুগ-বৈচিত্ৰ্যৰো প্ৰতিফলক। দেশ আৰু মানুহৰ প্ৰতি থকা কল্যানবোধৰ চেতনাৰে গল্পবোৰৰ বিষয় সমৃদ্ধ। উল্লেখ্য যে লক্ষ্মীনাথ ফুকনৰ দ্বাৰা ৰচিত গল্প পুথি পাঁচখনত মুঠ গল্পৰ সংখ্যা চল্লিশটা।

**চুটিগল্পৰ সংজ্ঞা ঃ**

সাহিত্যত চুটিগল্প এক স্বতন্ত্ৰ ৰচনা। মানুহৰ জীৱন শৈলীৰ পৰিৱৰ্তনৰ লগে লগে চুটিগল্পয়ো তাৰ স্বৰূপ সলাবলৈ বাধ্য। সেয়েহে ইয়াৰ এটা সাৰ্বজনীন সংজ্ঞা দিয়া টান। তথাপি সাহিত্যৰ সমালোচকসকলে চুটিগল্পৰ ৰূপ-প্ৰকৃতিলৈ লক্ষ্য ৰাখি সময়ে-সময়ে চুটিগল্পৰ সংজ্ঞা দি আহিছে। চুটিগল্পৰ লক্ষণৰ প্ৰতি দৃষ্টি ৰাখি হেৰি চ'য়ে কৈছে যে *"চুটিগল্প আপেক্ষিকভাৱে এটি চুটি বৰ্ণনা, য'ত এটা কৰ্ম, এটা চৰিত্ৰ আৰু মাত্ৰ এটা পৰিস্থিতিৰ চিত্ৰণ ঘটোৱা হয়।"*[১] জে, এ. কাডেনে চুটিগল্পৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ গৈ কৈছে যে *"কোনো বিশেষ পৰিস্থিতি,ঘটনাংশ, বিশেষ অভিজ্ঞতা, কোনো এটা কাৰ্যৰে চৰিত্ৰ বা চৰিত্ৰ বিশেষৰ সতে চুটিগল্পৰ সম্পৰ্ক।"*[২] চুটিগল্পৰ কলাসুলভ গঠনশৈলীৰ গুৰুত্ব বুজি টি. লী. লেমনে কৈছে যে *"চুটিগল্প ইয়াৰ গঠনৰ বাবে পূৰ্বৰ সাধুকথাতকৈ পৃথক আৰু এই পৃথকত্ব কেন্দ্ৰীয় ভাৱে, ঘটনা, ঘটনা বিন্যাস তথা কলাসুলভ গঠনপ্ৰণালীৰ বাবে অধিক স্পষ্ট।"*[৩] চুটিগল্পত শব্দৰ পূৰ্বপৰিকল্পিত প্ৰৱণতাৰ প্ৰতি দৃষ্টি ৰাখি হাড্‌চনে কৈছে যে *"গল্পটোৰ সমগ্ৰ কাহিনীভাগত এনে এটা শব্দও লিখা বাঞ্ছনীয় নহয়, যিটো প্ৰত্যক্ষ বা পৰোক্ষভাৱে পূৰ্বপৰিকল্পিত ৰূপকল্পৰ স'তে সম্পৰ্কিত হোৱাৰ প্ৰতি প্ৰৱণতাহীন।"*[৪] চুটিগল্পৰ অৱস্থিতি নিৰ্ণয়

---

১। "A relatively short nerrative which is designed to produce a single dominate effect and which contains the elements of drams. A short stomy concentrates on a single character in a single situation at a single moment." Dictionary of Literatury Terms, P. 343

২। "If (short story) may be concerned with a seenc; on episode, an experience, a happening, an action, an exhibition of a character or characters, the day's event a meeting, a conversation, a fantacy." Cudden, J. A. Dictionary of Literary Terms, P. 609

৩। "If (Short story) differs from the tale by lighter organisation arround a single effect (exploration of character, creation of mood presencion of an action, an development of a theme) and its more artful construction." Lemon, T. Lee : A Glossary for the study of English, P. 3

৪। "In the whole composition there should be no word written of which the tendency, direct or indirect, is not pre-established design. Hudson : An Introduction to the study of Literature, p. 340

কৰিবলৈ গৈ নাৰায়ণ গঙ্গোপাধ্যায়ে কৈছে — *"বস্তু আৰু ভাৱৰ কেন্দ্ৰস্থলৰ পৰাই চুটিগল্পৰ জন্ম, যাৰ এফালে যদি সূৰ্যস্নাতা ৰশ্মি আনদিশে অচিনা সন্ধ্যাৰ ছায়া।"*[৫] একেদৰে শিশিৰ কুমাৰ দাসে ৰূপবিশিষ্ট সাহিত্য হিচাপে চুটিগল্পৰ সংজ্ঞা দিবলৈ গৈ কৈছে যে *"এয়া এক বিশেষ ৰূপচিত্ৰ। ই কেৱল কাহিনী নহয়, কেৱল আখ্যান ৰচনাও নহয়, কেৱল মাত্ৰ চৰিত্ৰ সৃষ্টিও এয়া নহয়। এয়া এক বিশিষ্ট সাহিত্যৰূপ।"* [৬] এই ক্ষেত্ৰত চৈয়দ আব্দুল মালিকৰ মত এনেধৰণৰ *"চুটিগল্প কিছুমান নিজস্ব লক্ষণযুক্ত একবিশিষ্ট সুকীয়া সাহিত্যিক মাধ্যম।"*[৭] মনকৰিবলগীয়া যে 'সুকীয়া সাহিত্যিক মাধ্যম' বুলি মালিকে চুটিগল্পক উপন্যাস, নাটক, মহাকাব্য, প্ৰবন্ধ, ৰূপকথা, সাধুকথা বা সমালোচনামূলক কাহিনী বা লিখনিৰ পৰা পৃথক মাধ্যম বুলি স্পষ্ট কৰিব বিচাৰিছে। চুটিগল্পৰ কলাত্মক যুক্তিযুক্ততাক আগত ৰাখি ত্ৰৈলোক্যনাথ গোস্বামীয়ে মত পোষণ কৰিছে যে *"চুটিগল্প হ'ল সুসংগত আৰ্ট।"*[৮] ৰচনাশৈলীৰ অনিবাৰ্যতাৰ কথাত গুৰুত্ব দি পৰাগ কুমাৰ ভট্টাচাৰ্যই ক'ব খোজে যে *"চুটিগল্প হ'ল বৰ্তমানৰ জীৱন চেতনাক সজ্ঞানে, সুকৌশলেৰে প্ৰয়োগ কৰা ৰচনাশৈলী।"*[৯] উদয় দত্তৰ মতে আকৌ *"চুটিগল্প হৈছে এক বিশিষ্ট সাহিত্য সৃষ্টি।"*[১০] বিশিষ্ট ৰূপকল্প হিচাপে সাহিত্যৰ কলাত্মক স্বাধীনতাৰ কথাত জোৰ দি মহেন্দ্ৰ বৰাই ক'ব খোজে যে *"চুটিগল্প আপোন চৰিত্ৰ বৈশিষ্ট্যৰ মহিমাৰে মণ্ডিত এক স্বতন্ত্ৰ সাহিত্যৰূপ।"* [১১] জীৱন আৰু জীৱনৰ সমস্যাকেন্দ্ৰিকতালৈ লক্ষ্য কৰি যতীন বৰাই কয় যে চুটিগল্প হ'ল *"বৰ্ণাঢ্য মানৱ জীৱনৰ কোনো এটা মুহূৰ্তৰ কোনো এটা সমস্যাৰ চকামকা আভাস।"*[১২] একেদৰে চুটিগল্পৰ কলাত্মক আবেদনলৈ লক্ষ্য কৰি প্ৰহ্লাদ কুমাৰ বৰুৱাই কয় যে *"চুটিগল্পত মানৱ কল্যাণকামী বক্তব্য থাকিব লাগিব সঁচা; কিন্তু চুটিগল্প বক্তব্য প্ৰধান ৰচনা বা প্ৰবন্ধ নহয়। ই কলা।"*[১৩]

---

৫। "আর ছোটগল্পের অবস্থিতি বস্তু আর ভাবের কেন্দ্রস্থলে— তার মুখের একদিকে পরিচিত সূর্যের আলো, আর একদিকে অচেনা সন্ধ্যার ছায়া।"নাৰায়ণ গঙ্গোপাধ্যায়, ছোটগল্পের সীমারেখা, পৃ. ১৫

৬। "এ একটি বিশেষ 'রূপচিত্র'। শুধু কাহিনী বলা নয়, শুধু আখ্যান রচনা নয়। শুধু চরিত্র সৃষ্টিও নয়। এ এক বিশিষ্ট সাহিত্যরূপ।" শিশির কুমার দাশ, বাংলা ছোটগল্প, পৃ. ২

৭। চৈয়দ আব্দুল মালিক, 'চুটিগল্প সম্পৰ্কে', সাহিত্য নিৰ্মাণ প্ৰসঙ্গ, পৃ. ৮৬

৮। ত্ৰৈলোক্যনাথ গোস্বামী, সাহিত্য আলোচনা, পৃ. ১৯৯

৯। পৰাগ কুমাৰ ভট্টাচাৰ্য, গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য, পৃ. ১

১০। উদয় দত্ত, চুটিগল্প, পৃ. ১৪

১১। মহেন্দ্ৰ বৰা, সাহিত্য উপক্ৰমণিকা, পৃ. ১৬৬

১২। যতীন বৰা, সাহিত্য সমালোচনা পৰিচয়, পৃ. ৯৫

১৩। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, 'বাটচ'ৰা'

উল্লিখিত ধৰণেৰে চুটিগল্পৰ সংজ্ঞা নিৰ্ণয়ৰ চেষ্টা কৰিলেও কোনোজনে নিজৰ মন্তব্যক স্বয়ংসম্পূৰ্ণ বুলি দাবী কৰা নাই; বৰং সকলোবোৰ ব্যাখ্যাই চুটিগল্পৰ বহু বৰ্ণময়তাকহে মানি লোৱা দেখা গৈছে। আনহাতে গল্পৰ দৈৰ্ঘৰ নিৰ্দেশনা দিবলৈ গৈ কোনোবাই যদি চুটিগল্পক ঘোঁৰা দৌৰ প্ৰতিযোগিতা বুলিছে, কোনোৱে আকৌ পঞ্চাশৰ পৰা এশ মিনিটৰ ভিতৰত পঢ়ি শেষ কৰাৰ আকাংক্ষা ৰাখিছে। এই সময়ৰ সীমা বঢ়াই কোনোবাজনে আকৌ চুটিগল্প আধাঘণ্টাৰ পৰা এক-দুই ঘণ্টাৰ ভিতৰত পঢ়ি শেষ হোৱাৰ ওপৰত জোৰ দিছে। তথাপি ক'ব লাগিব যে চুটিগল্প কোনো বহল বা দীৰ্ঘ ৰচনাৰ চুটি সংকলন নহয়; বৰং ই হ'ব লাগে ভাৱ, পৰিকল্পনা আৰু গঠন পদ্ধতিৰ ফালৰ পৰা বিষয়বস্তুৰ এক সংক্ষিপ্ত ৰূপহে। উল্লেখ্য যে গল্পৰ সাৰ্থকতা বহুপৰিমাণে ইয়াৰ ৰচনা পদ্ধতিৰ ওপৰতো নিৰ্ভৰশীল।

গতিকে ক'ব লাগিব যে আকৃতিৰ ফালৰপৰা সংক্ষিপ্ত হ'লেও চুটিগল্পত মানৱ জীৱনৰ উজ্জ্বলতম দিশসমূহৰ উপৰিও সত্য আৰু সৌন্দৰ্যৰ কলাসুলভ, চিত্ৰধৰ্মী বৰ্ণনা সংৰক্ষিত হোৱাতো বাঞ্ছনীয়। বিষয়ভেদে বৰ্ণনাত চিত্ৰধৰ্মী গুণ অক্ষুণ্ণ ৰাখিব পৰাতোতে গল্পকাৰৰ সাৰ্থকতা। অৱশ্যে, এই ক্ষেত্ৰত ধাৰণাৰ ঐক্য আৰু ফলশ্ৰুতিৰ একমুখিতাৰ প্ৰতিও গল্পকাৰৰ দৃষ্টি থকা উচিত।

## ০.১. অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ

আধুনিক চুটিগল্পৰ উন্মেষ মূলতঃ ঊনবিংশ শতিকাত। ইয়াৰ মূল পটভূমি হ'ল অষ্টাদশ শতিকাৰ শেষত ঘটনা 'শিল্প বিপ্লৱ'। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ 'ফৰাচী বিপ্লৱ'ৰ লগতে অষ্টাদশ-ঊনবিংশ শতিকাত সংযোজন ঘটা নিউটন, ডাৰউইন, ভল্টেয়াৰ, আইনষ্টাইন আৰু ৰুচোৰ দ্বাৰা বিজ্ঞানৰ ন-ন আৱিষ্কাৰ আৰু তত্ত্বাদিক আঙুলিয়াব পাৰি। এইবোৰৰ প্ৰভাৱত ইউৰোপীয় জীৱন ধাৰাৰ যি আমূল পৰিৱৰ্তন ঘটে, ইয়ে মানুহক নতুন দৃষ্টিভংগী ল'বলৈ শিক্ষা দিয়ে। এনে নতুন দৃষ্টিভঙ্গীৰ ফলতে ঊনবিংশ শতিকাৰ চুটিগল্পত এটা নতুন ধাৰাৰ প্ৰচলন হ'বলৈ ধৰে। ইয়াকে ফ্ৰান্সত বালজাক, মেৰিমী; ৰাছিয়াত পুস্কিন আৰু আমেৰিকাত ৱাশ্বিংটন আৰ্ভিং আদিয়ে কলাৰ ৰূপ দিয়ে। পৰৱৰ্তী ফৰাচী লিখক মোপাছাঁ আৰু ৰুচ লেখক চেখ্‌ভ আদিয়ে নিটোল ৰূপেৰে সজাই চুটিগল্পক জনপ্ৰিয় কৰি তোলে। সেইদৰে আধুনিক অসমীয়া চুটিগল্পৰ উদ্ভৱো উল্লিখিত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ বুলি উল্লেখ পোৱা যায়। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি আৰু তাৰ

পৰিপ্ৰেক্ষিতত সমাজ জীৱনত ঘটা নানান পৰিৱৰ্তনৰ প্ৰভাৱতে 'অৰুণোদই' (১৮৪৬)ৰ দৰে সংবাদপত্ৰৰ জন্ম। উদ্দেশ্যপ্ৰণোদিতভাৱে হ'লেও সংবাদপত্ৰখনৰ পাতত প্ৰকাশ হ'বলৈ ধৰে নানান আখ্যান, উপাখ্যান আৰু সাধুকথা। ৰীতি-প্ৰকৃতিৰ ভিন্নতাৰ হেতু উক্ত লিখনিসমূহে চুটিগল্পৰ স্বৰূপ-বৈশিষ্ট্যক সংৰক্ষিত কৰিব নোৱাৰিলেও পৰৱৰ্তী সময়ত প্ৰকাশ পোৱা 'জোনাকী' (১৮৮৯) আলোচনীৰ পাতত চুটিগল্পৰ ৰাজকীয় অভিষেকৰ বাট প্ৰশস্ত হৈ পৰে। অৱশ্যে ঊনবিংশ শতিকাত ঘটা ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, ভাষিক পৰিৱৰ্তনৰ ফলত পৰিৱৰ্তিত সামাজিক মূল্যবোধকো অসমীয়া চুটিগল্পৰ উদ্ভৱৰ কাৰক বুলিব পাৰি। পৰৱৰ্তী সময়ত অসমৰ সমাজ জীৱনলৈ আমদানি ঘটা নতুন কাৰকৰ প্ৰভাৱ আৰু ন-ন লেখকৰ চিন্তা আৰু আদৰ্শই অসমীয়া চুটিগল্পৰ ধাৰাটো বলিষ্ঠ তথা বহুমাত্ৰিক কৰি তোলে। মনকৰিবলগীয়া কথা এই যে অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ ক্ষেত্ৰত আলোচনীৰ ভূমিকা আছিল সৰ্বাধিক। আলোচনীকেন্দ্ৰিক অসমীয়া চুটিগল্পৰ বিকাশক তলত উল্লেখ কৰাৰ দৰে ভাগ কৰিব পাৰি। যথা—

(ক) জোনাকী যুগ বা আদিযুগ বা উদ্ভৱকালৰ চুটিগল্প (১৮৮৯-১৯২৯ লৈ)

(খ) আৱাহন যুগ বা প্ৰাক্‌যুদ্ধকালীন চুটিগল্প (১৯২৯-১৯৪০ লৈ)

(গ) ৰামধেনু যুগ বা যুদ্ধোত্তৰ যুগৰ চুটিগল্প (১৯৪০-১৯৭০ লৈ)

(ঘ) সাম্প্ৰতিক যুগৰ চুটিগল্প (১৯৭০-সাম্প্ৰতিকলৈ)

## (ক) জোনাকী যুগ বা আদিযুগ বা উদ্ভৱকালৰ চুটিগল্প (১৮৮৯-১৯২৯)

জোনাকী যুগ বা আদি বা উদ্ভৱ কালৰ চুটিগল্প বুলিলে সৰ্বপ্ৰথমে লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পসমূহকে বুজা যায়। তেওঁৰ প্ৰথম গল্প প্ৰসঙ্গত অৱশ্যে বহু মতভেদ লক্ষ্য কৰা যায়। সৰহ সংখ্যক সমালোচকে 'সুৰভি' (১৯০৯) তে প্ৰথম অসমীয়া চুটিগল্পৰ সুত্ৰপাত হোৱা বুলি উল্লেখ কৰিছে; কিন্তু এই তথ্য শুদ্ধ নহয়। কিয়নো ১৮৯২ চনতে 'জোনাকী'ৰ চতুৰ্থভাগৰ চতুৰ্থ সংখ্যাত 'সেউতী' নামৰ গল্পটো প্ৰথমে প্ৰকাশ পাইছিল। উল্লেখ্য যে 'জোনাকী'ৰ বুকুত 'সেউতী'ৰ জৰিয়তে আৰম্ভ কৰা চুটিগল্প ৰচনাৰ যাত্ৰা পৰৱৰ্তী 'বাঁহী' (১৯০৯-১৯৪৫) লৈকে অব্যাহত আছিল। দৰাচলতে *"জোনাকী'ত বেজবৰুৱাৰ হাতত চুটিগল্পৰ পৰীক্ষা-নিৰীক্ষাহে চলিছিল।'*[১৪] এনে

১৪।শৈলেন ভৰালী, আধুনিক অসমীয়া সাহিত্য, দুটি তৰঙ্গ, পৃ. ৬০

পৰীক্ষাৰ মাজেৰেই অসমীয়া গল্পসাহিত্যলৈ নৱন্যাস আন্দোলন আগবাঢ়ি আহিছিল। অৱশ্যে এই সময়ছোৱাত ৰচিত গল্পবোৰৰ শিল্পসুলভতা দুৰ্বল আছিল। সাধুকথা আৰু চুটিগল্পৰ মাজত থাকিব লগা পাৰ্থক্যৰ অস্পষ্টতায়ে হয়তো ইয়াৰ অন্যতম কাৰণ। এই প্ৰসঙ্গত হোমেন বৰগোহাঞিৰ মত প্ৰণিধানযোগ্য—

> *“অসমীয়া ভাষাৰ সৰ্বপ্ৰথম চুটিগল্প লেখক লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজৰ পাৰ্থক্যটো নিশ্চয় ভালকৈ বুজিব পৰা নাছিল। সেইকাৰণে তেওঁৰ তথাকথিত সকলো চুটিগল্পতে এটা দিশহাৰা উভচৰতাৰ লক্ষণ বিদ্যমান।”*[১৫]

সংখ্যাৰ ফালৰ পৰা বেজবৰুৱাৰ গল্পপুথি চাৰিখন। যথা— সুৰভি (১৯০৯), সাধুকথাৰ কুকি (১৯১০), জোনবিৰি (১৯১৩) আৰু কেঁহোকলি (১৯৬৭)। মনত ৰাখিবলগীয়া যে ঊনবিংশ শতিকাৰ অন্তঃসাৰশূন্য তথা ভাঙোনমুখী সমাজক সংস্কাৰিতকৰণৰ ভাৰ তেওঁ মূৰ পাতি লৈছিল। গল্পক সমাজ সংস্কাৰৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ ফলত তেওঁৰ লেখনিসমূহ তদানীন্তন অবিচাৰ, অনাচাৰ, অন্ধবিশ্বাস, কুসংস্কাৰ, গোড়ামি, নীচতা, হীনতা আদিৰ নগ্ন উন্মোচক হৈ পৰিছিল। মানুহ আৰু প্ৰকৃতিৰ নিবিড় সম্পৰ্কৰ ভিত্তিত— কন্যা, নকওঁ, জালুকবাৰী, এৰাবাৰী, বিহু, মুক্তি আদি আৰু ভণ্ডৰ প্ৰতি ব্যঙ্গতাৰে— মলক গুইন-গুইন, নাঙলু চন্দ্ৰ, ভোকেন্দ্ৰ বৰুৱা, ভেমপুৰীয়া মৌজাদাৰ, জাতিৰামৰ জাত আদি গল্প ৰচনা কৰি ব্যক্তি সচেতনতাৰ পৰিচয় দিছিল। মূলতঃ সমাজ সংস্কাৰধৰ্মী আৰু মানৱ জীৱন সম্পৰ্কীয় এই দুই ধাৰাৰ গল্প ৰচনা কৰি তেওঁ চুটিগল্পৰ ভেটি স্থাপন কৰাৰ উপৰিও অসমীয়া সাহিত্যৰ বুকুত আধুনিকতাৰ বাট প্ৰশস্ত কৰিছিল।

আদি বা উদ্ভৱকালৰ গল্পৰ চৰ্চাত দ্বিতীয় গৰাকী উল্লেখযোগ্য ব্যক্তি হ’ল শৰৎ চন্দ্ৰ গোস্বামী। তেওঁৰ হাততে অসমীয়া চুটিগল্পই যথাৰ্থভাৱে বিকাশ লাভ কৰে। নগৰ আৰু গাঁৱৰ পটভূমিয়েই তেওঁৰ গল্পৰ বিষয়বস্তু। তেওঁৰ দ্বাৰা ৰচিত গল্পৰ পুথিকেইখন হ’ল— গীতাঞ্জলী (১৯১৪), ময়না (১৯২০), বাজিকৰ (১৯৩০) আৰু মৃত্যুৰ পিছত প্ৰকাশিত— পৰিদৰ্শন (১৯৫৬) আদি।

---

১৫।হোমেন বৰগোহাঞি, ‘বিশ্ব সাহিত্যত অসমীয়া চুটিগল্পৰ স্থান’, ত্ৰৈলোক্য নাথ গোস্বামী সম্পাদিত প্ৰৱন্ধ চয়ন, পৃ. ৪৮

উক্ত সংকলনসমূহৰ যোগেদি গোস্বামীয়ে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। প্ৰচুৰ সহানুভূতিশীলতাৰে মানুহৰ দুখ-দুৰ্দশা, অন্যায়-অবিচাৰ, দুৰ্বল জীৱনৰ কাৰুণ্য আদি তেওঁৰ গল্পত ৰূপায়িত হৈছে। সৰল ভাষা, সুগম উপমা, ভাষিক চাতুৰ্য আৰু কাব্যিক অনুভূতিৰ আবেদনেৰে শৰৎ চন্দ্ৰ গোস্বামীৰ চুটিগল্প সমৃদ্ধশালী হৈ অসমীয়া গল্পসাহিত্যক চহকী কৰিছে। জৈৱিক কামনা-বাসনাক আধাৰ হিচাপে লৈ ৰচিত তেওঁৰ উল্লেখযোগ্য গল্প কেইটামান হ'ল— বনৰীয়া প্ৰনয়, সন্নাসিনী, নদৰাম আদি।

আদি বা উদ্ভৱ কালৰ এগৰাকী গল্পলেখক হ'ল— দণ্ডীনাথ কলিতা। তেওঁ সমাজৰ কু-সংস্কাৰবোৰক গতানুগতিক আৰু সৰল বক্তব্যৰে গল্পত মূৰ্ত কৰি তুলিছে। সাতটা গল্পৰ সমষ্টি 'সাতসৰী' (১৯২৫)ৰ জৰিয়তে তেওঁৰ আত্মপ্ৰকাশ ঘটে। বিকাশ সীমিত হ'লেও উদ্ভৱ কালৰ চুটিগল্পক সম্প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত দণ্ডীনাথ কলিতাৰ ভূমিকা অবিস্মৰণীয়।

চুটিগল্পৰ আদি পৰ্বৰ এগৰাকী গল্পলেখক হ'ল সূৰ্যকুমাৰ ভূঞা। মানুহৰ মৌলিক প্ৰবৃত্তি, গ্ৰাম্য তথা ন-শিক্ষিত মধ্যবিত্তৰ মানসিক দণ্ড আৰু নৰ-নাৰীৰ প্ৰেমৰ গভীৰতা তেওঁৰ গল্পত অতি স্পষ্ট। অৱশ্যে প্ৰয়োজনীয় পৰিস্থিতি আৰু দণ্ডৰ অভাৱ চৰিত্ৰভেদে সততে অনুভূত হয়। 'পঞ্চমী' নামৰ গল্পসংকলনখনতে এই কথাৰ প্ৰমাণ পোৱা যায়। তথাপি উদ্ভৱ কালৰ চুটিগল্পক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ভূঞাৰ উক্ত গল্পকেইটাৰ ভূমিকা উলাই কৰিব নোৱাৰি।

অসমীয়া চুটিগল্পৰ আদি বা উদ্ভৱ কালৰ শেষৰগৰাকী গল্পলেখক হ'ল নকুল চন্দ্ৰ ভূঞা। 'বাঁহী' (১৯০৯) আৰু 'চেতনা' (১৯১৫)ৰ যোগেদি আত্মপ্ৰকাশ কৰা ভূঞাৰ প্ৰথম গল্পৰ পুথি হ'ল 'চোৰাংচোৱাৰ চ'ৰা' আৰু দ্বিতীয়খন হ'ল 'গল্পৰ শৰাই' (১৯৬২)। অৱশ্যে প্ৰয়োজনীয় অন্তৰ্দৃষ্টিৰ অভাৱৰ বাবে গল্পসমূহ সুখপাঠ্য নোহোৱা যেন বোধ হয়। তথাপি তাৰ মাজতে বৰ্ণনাৰ সংযমে গল্পসমূহক এক বিশেষ মাত্ৰা প্ৰদান কৰা কথাটো মনকৰিবলগীয়া। সৰল আৰু পোনপতীয়া বিষয়বস্তুৰে তেওঁৰ গল্প *"অসমীয়া চুটিগল্পৰ আদি যুগৰ চালুকীয়া অৱস্থাৰ গুণধৰ্মী।"*[১৬] উল্লেখ্য যে নকুল চন্দ্ৰ ভূঞা হ'ল জোনাকী যুগ বা আদি বা উদ্ভৱ কাল আৰু আৱাহন বা প্ৰাক্ যুদ্ধোত্তৰ কালৰ যোগসূত্ৰকাৰী গল্পকাৰ।

---

১৬। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৫৪

### (খ) আৰাহন যুগ বা প্ৰাক্-যুদ্ধকালীন চুটিগল্প (১৯২৯-১৯৪০)

অসমীয়া চুটিগল্পৰ ইতিহাসত ১৯২৯ৰ পৰা ১৯৪০ চনৰ সময়খিনি বৰ গুৰুত্বপূৰ্ণ। তিনিটা শক্তিশালী পৃষ্ঠভূমিয়ে এই সময়ৰ চুটিগল্পক তাৎক্ষণিক বিস্তাৰ লাভৰ ক্ষেত্ৰত সহায় কৰা পৰিলক্ষিত হয়। এইক্ষেত্ৰত প্ৰথমটো হ'ল মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱত সামাজিক সংগঠন, আৰ্থিক স্বাৱলম্বন্, শৈক্ষিক সম্প্ৰসাৰণ আৰু নাৰীমুক্তি সাধন আদি। অসমৰ জাতীয় জীৱনত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ মানি লৈ দীননাথ শৰ্মাই কৈছিল— "১৯২১ *চনত ভাৰত জুৰি বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় আন্দোলনৰ সোঁত বৈ গৈছিল। তাৰ ঢৌৱে পূৱ প্ৰান্তৰ অসমকো প্লাৱিত কৰিছিল। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধ সংগ্ৰামত অসমীয়াৰ জাতীয় চেতনা বহু গুণে বাঢ়ি যায়। এই নৱ-চেতনাই আমাৰ সাহিত্যত নতুন তেজৰ সঞ্চাৰ কৰে। আৱাহন এই মহৎ চেতনাৰ অৱশ্যাম্ভাৰী সৃষ্টি।*"[১৭]

'ক্ৰমবৰ্দ্ধমান শিক্ষা ব্যৱস্থা' তদানীন্তন অসমৰ চুটিগল্পৰ পৃষ্ঠভূমিৰ আন এক শক্তিশালী দিশ। গান্ধীৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ অসমত নাৰী শিক্ষাৰ যি জাগৰণ হৈছিল, সেই ক্ষেত্ৰত ১৯০১ চনত স্থাপন কৰা কটন কলেজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমৰ ন-শিক্ষিতৰ বাবে কটন কলেজখনে যেন সীমাৰ সিপাৰৰ সকলো দুৱাৰ খুলি দিছিল।

প্ৰাক্-যুদ্ধকালীন চুটিগল্পৰ পৃষ্ঠভূমিৰ তৃতীয় শক্তিশালী দিশটো হ'ল পশ্চিমীয়া সাহিত্যৰ মতাদৰ্শগত প্ৰভাৱ। শিক্ষাৰ সম্প্ৰসাৰণ ঘটাৰ লগে লগে অসমীয়া গল্পকাৰসকলে মাৰ্কিন গল্পকাৰ এড্‌গাৰ এলেন পো, ফৰাছী কথাশিল্পী মোঁপাছা আৰু চেখভ, জাৰ্মান মনোবৈজ্ঞানিক ফ্ৰয়েড আদিৰ ৰীতি-আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হয়। ইয়াৰ লগতে জাৰ্মান চুটিগল্পৰ ৰোমাণ্টিক বাস্তৱবাদ আৰু মাৰ্ক্সৰ দণ্ডাত্মক বাস্তৱবাদ, হেনৰী জেম্‌ছ আৰু ডি. এইচ. লৰেন্সৰ সাহিত্য দৰ্শন আদিয়েও আৱাহনকালীন মন-মগজুক আলোড়িত তথা আলোকিত কৰে। ফলত 'জোনাকী' (১৮৮৯)ৰ যোগেদি আগবাঢ়ি অহা আদি বা উদ্ভৱকালৰ চুটিগল্পই এই সময়চোৱাত যেন এটা নতুন সুৰ বিচাৰি পালে। সময়ৰ আহ্বানত "*ৰচনা-ৰীতিৰ ওপৰত থকা ৰক্ষণশীলতাৰ অঙ্কুশ ন-লেখকসকলে দলিয়াই পেলাই কথাবস্তুৰ উপযোগী নতুন কথনভঙ্গীৰ উদ্ভাৱন কৰাৰ বাবে যত্নপৰ*"[১৮] হোৱা

১৭। দীননাথ শৰ্মা, 'অসমীয়া সাহিত্য, সমাজ আৰু আৱাহন', আৱাহন যুগৰ অসমীয়া সাহিত্য, সম্পা. প্ৰহ্লাদ কুমাৰ বৰুৱা, পৃ. ২

১৮। ত্ৰৈলোক্য নাথ গোস্বামী, সংক. আৰু সম্পা., আধুনিক অসমীয়া গল্প সংগ্ৰহ 'ভূমিকা', পৃ. ৫

দেখা গ'ল। উল্লেখ্য যে ন-লেখকৰ এনে প্ৰয়াস বহু ক্ষেত্ৰত সাৰ্থক নহ'লেও অসমীয়া চুটিগল্পই যেন এটা নতুন শৈলী লাভ কৰাৰ সুযোগ পালে। তলত উল্লেখ কৰিব লোৱা ন-লেখকৰ প্ৰসঙ্গই এই কথা ক্ৰমান্বয়ে স্পষ্ট কৰিব।

'আৱাহন' (১৯২৯)ৰ যোগেদি প্ৰাক্-যুদ্ধকালীন সময়ছোৱাত গল্প ৰচনাৰে সু-প্ৰতিষ্ঠিত হোৱাসকলৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহিচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলীৰাম ডেকা, ৰমা দাস, বীণা বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, ৰাধিকা মোহন গোস্বামী, কৃষ্ণ ভূঞা, দীননাথ শৰ্মা, মুনীন বৰকটকী, প্ৰবোধ গোস্বামী আদি উল্লেখযোগ্য।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীক 'আৱাহন'ৰ পথিকৃৎ বুলি ক'ব পাৰি। 'আৱাহন'(১৯২৯)ৰ প্ৰথম সংখ্যাত 'পোহৰী' নামৰ গল্প প্ৰকাশেৰে তেওঁ গল্পলেখক হিচাপে আত্মপ্ৰকাশ কৰে। তাৰ পিছত ক্ৰমান্বয়ে প্ৰকাশিত 'ধন-ভঁৰাল', 'ভাগ-বাটোৱাৰা', 'ৰসায়ন', 'টুনী', 'মুক্তি', 'লাভ' আদি গল্প ৰচনাৰে তেওঁৰ সামাজিক দায়ৱদ্ধতা প্ৰতিপন্ন হয়। তেওঁৰ গল্পৰ বিষয়বস্তু মূলতঃ গোৱালপৰীয়া জমিদাৰী সমাজ, জনজাতীয় সৰল জীৱন, কুসংস্কাৰৰ বলি হোৱা নৰ-নাৰীৰ প্ৰেম আৰু জীৱন আদি। গল্পৰ কাহিনী অজটিল। বৰ্ণনাৰ সাৱলীলতা আৰু পৰিণতিমুখী উৎকণ্ঠাৰ বাবে গল্পবোৰ প্ৰায়ে সুখপাঠ্য। কোনোতো গল্পৰ অলপ-অচৰপ দোষ-ত্ৰুটি নথকা নহয়; তথাপি 'আৱাহন'ৰ জন্ম দি অসমীয়া ভাষা বিৰোধী ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰতি আন্দোলন গঢ়া আৰু গল্প ৰচনা কৰা আদি দিশেৰে গল্প সাহিত্যৰ গতিপথক তৰান্বিত কৰি চৌধুৰীয়ে অসমীয়া সাহিত্যত এখন সুকীয়া আসন লাভ কৰিছে। তেওঁৰ প্ৰকাশিত গল্প সংকলন হ'ল 'বীণাৰ ঝংকাৰ' আৰু 'নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প'। প্ৰাক্-যুদ্ধকালীন গল্পসাহিত্যক সমৃদ্ধ কৰা আন এগৰাকী গল্পকাৰ হ'ল লক্ষ্মীনাথ ফুকন। সমসাময়িক বিষয় আৰু প্ৰভাৱেৰে গল্পলেখক হিচাপে প্ৰতিষ্ঠা পোৱাৰ বিষয়ে যথাস্থানত আলোচনা কৰা হ'ব।

বেজবৰুৱাৰ হাতত সু-প্ৰতিষ্ঠিত হাস্য-ব্যঙ্গ ধাৰাৰ ন-প্ৰতিষ্ঠা সম্ভৱ কৰা এগৰাকী গল্পলেখক হ'ল মহীচন্দ্ৰ বৰা। সংস্কাৰকামী মনোভাৱ আৰু উদাৰনৈতিক মানৱতাবাদেৰে বৰাৰ গল্প সমৃদ্ধ। তেওঁৰ দ্বাৰা ৰচিত উল্লেখযোগ্য গল্পকেইটামান হ'ল— 'কেৰানীৰ কপাল', 'চৰ্দাৰ বিল', 'অব্যয়', 'চাকনৈয়া' আদি। এগৰাকী সমাজ সচেতক আৰু দায়ৱদ্ধ ব্যক্তি হোৱা বাবে তেওঁৰ গল্পই সমাজৰ কুসংস্কাৰাচ্ছন্ন আৰু স্বাৰ্থলোভী দিশসমূহ উদঙাই দিয়ে। ফলত ভণ্ড শ্ৰেণীৰ গ্ৰাসত পৰা সাধাৰণ শ্ৰেণীটোৰ দুৰ্দশাৰ কথাত পাঠকৰ মন কৰুণা আৰু সহানুভূতিৰে ভৰি পৰে। এইক্ষেত্ৰত ভাষাৰ

গুৰুত্ব অসীম। মহীচন্দ্ৰ বৰাৰ অনুকৰণীয় ভাষাশৈলীৰ বাবেই গল্পসমূহ উপাদেয়। প্ৰকাশিত গল্প পুথি 'উকীলৰ জন্ম ৰহস্য'ৰ বুকুতো উক্ত কথাৰ প্ৰমাণ উপলব্ধ হয়।

'আৱাহন'ৰ যোগেদি আত্মপ্ৰকাশ কৰা গল্পকাৰসকলৰ মাজত পৃথক বৈশিষ্ট্য যুক্ত এগৰাকী গল্পকাৰ হ'ল লক্ষ্মীধৰ শৰ্মা। শৰ্মাৰ গল্পত সাম্যবাদী চিন্তাৰ প্ৰথম প্ৰকাশ দেখা যায়। তদুপৰি নাৰীৰ বিপ্লৱী কণ্ঠৰ প্ৰতিধ্বনিৰেও তেওঁৰ গল্প ধ্বনিময়। নাৰীয়ে নিজৰ হৃদয়বৃত্ত আৰু সামাজিক বান্ধোনৰ পৰা মুক্তিৰ ক্ষেত্ৰত শৰ্মাৰ গল্পই এক দিশৰ সন্ভেদ দিয়ে। এই ক্ষেত্ৰত 'চিৰাজ', 'পৰাজয়', 'ব্যৰ্থতাৰ দান', 'বিদ্ৰোহিনী', 'নীনা', 'ঊষা' আদি শৰ্মাৰ উল্লেখযোগ্য গল্প। তাৰ ভিতৰত 'ব্যৰ্থতাৰ দান' এটা শ্ৰেষ্ঠ চুটিগল্প। গঠনশৈলী, চৰিত্ৰৰ জীৱন চিত্ৰায়ন তথা কৰুণ ৰসানুভূতিৰে লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ কাৰিকৰী দিশ অধিক শক্তিশালী। অসমীয়া চুটিগল্পক এওঁৰ গল্পই গাম্ভীৰ্যতা প্ৰদান কৰা কথাটো সৰ্বজন স্বীকৃত।

চুটিগল্প ৰচনাৰ ক্ষেত্ৰত কলা-কৌশলৰ প্ৰতি সচেষ্ট এগৰাকী গল্পলেখক হ'ল হলিৰাম ডেকা। সমকালীন সমাজৰ প্ৰতি ব্যঙ্গ থাকিলেও তেওঁৰ গল্পত জীৱনবোধৰ গভীৰতা সততে পৰিদৃষ্ট হয়। তেওঁৰ 'ৰে বড়ে ভাই' গল্পটোৱে ইয়াৰ প্ৰমাণ। আন দুটা সাৰ্থক গল্প হ'ল— 'দ্বিতীয় পক্ষ' আৰু 'ভ্ৰষ্টলিপি'। গল্পৰ মাজত থকা মনঃসমীক্ষণ আৰু চেতনাশ্ৰোতে তেওঁৰ শিল্পীসুলভ দক্ষতাৰ উমান দিয়ে। সাহিত্য আৰু জীৱনৰ অঙ্গাঙ্গী সম্পৰ্কৰ ধাৰণা প্ৰদান কৰি ডেকাৰ গল্পই এটা নতুন সোৱাদ দিবৰ বাবে সমৰ্থ হোৱা দেখা যায়। বিষয়বস্তুৰ নতুনত্ব তথা স্বকীয়ত্বই পূৰ্বসূৰীসকলতকৈ তেওঁৰ গল্পক পৃথক ৰূপ প্ৰদান কৰে। পৰিপক্ক বিষয় আৰু কাৰিকৰী দিশেৰে প্ৰাক্-যুদ্ধকালীন চুটিগল্পৰ ধাৰাবাহিকতা দ্ৰুতকৰণৰ ক্ষেত্ৰত হলিৰাম ডেকাৰ ভূমিকা অপৰিসীম। 'বিয়া বিভ্ৰাট', 'যোদ্ধাৰ', 'পৰ্বতৰ টিঙৰ বঙলা ঘৰ' আদি তেওঁৰ উল্লেখনীয় গল্প।

নৰ-নাৰীৰ প্ৰেম-প্ৰনয়েৰে গল্প ৰচনা কৰা এগৰাকী গল্পলেখক হ'ল ৰমা দাস। ৰমা দাসৰ শ্ৰেষ্ঠ গল্প, বৰ্ষা যেতিয়া নামে, জাহ্নৱী আৰু অচল টকা আদি তেওঁৰ উল্লেখযোগ্য গল্প পুথি। বিশেষ তত্ত্বৰ বিপৰীতে ৰোমাণ্টিক ভাৱ বিলাসিতা ৰমা দাসৰ গল্পত প্ৰচুৰ পৰিমাণে লক্ষ্য কৰা যায়। সমসাময়িক গল্পৰ তুলনাত তেওঁৰ গল্পৰ মান নিম্ন হ'লেও দুই এটা গল্পই অৱশ্যে পাঠকক আনন্দ নিদিয়াকৈ নাথাকে। চুটিগল্পৰ বিকাশৰ যাত্ৰা পথত তেওঁৰ অৱদান অনস্বীকাৰ্য।

বীণা বৰুৱা প্ৰাক্-যুদ্ধকালীন আন এগৰাকী উল্লেখযোগ্য গল্পকাৰ। ‘পট পৰিৱৰ্তন’ আৰু ‘আঘোনী বাই’ৰ অন্তৰ্গত গল্পসমূহেৰে তেওঁ অসমীয়া চুটিগল্পৰ এই দ্বিতীয় ধাৰাটোক সমৃদ্ধশালী কৰে। দুয়োখন গল্পপুথিতে মধ্যবিত্ত আৰু গ্ৰাম্য জীৱন চিত্ৰ পৰিদৃষ্ট হয়। ‘জনসংখ্যা’, ‘সাঁথৰ’, ‘প্ৰৱেশ নিষেধ’ আদি তেওঁৰ ৰোমাণ্টিক ভাব প্ৰধান গল্প। গল্পবোৰত মাৰ্জিত ৰুচিবোধ আৰু বাস্তৱ দৃষ্টিভঙ্গী বৰ্তমান। তদুপৰি অগতানুগতিক জীৱন বীক্ষা আৰু অভিনৱ আংগিক আদিয়েও তেওঁৰ গল্পক স্বীকয়ত্ব প্ৰদান কৰিছে। প্ৰাক্-যুদ্ধকালীন গল্পৰ গতি প্ৰবাহ্ দ্ৰুতকৰণৰ ক্ষেত্ৰত বীণা বৰুৱাৰ অৰিহণা প্ৰচুৰ পৰিমাণে লক্ষ্য কৰা যায়।

আৱাহন যুগৰ সমাজ সচেতক গল্পলেখক এগৰাকী হ’ল ত্ৰৈলোক্যনাথ গোস্বামী। সামাজিক অন্যায়, অবিচাৰ, ধনী আৰু দুখীয়াৰ দণ্ড আদি তেওঁৰ গল্পৰ প্ৰধান বিষয়। ‘এটা গৰম কোট’, ‘পতিত আৰু পতিতা’, ‘পৰাজয়’ আদি তেওঁৰ অন্যতম চুটিগল্প। ব্যঙ্গ বুদ্ধিদীপ্ততাৰে তেওঁৰ সকলো গল্পই শিল্প গুণসম্পন্ন হিচাপে সমাদৃত। বিশেষকৈ সৰল বৰ্ণনাৰ জৰিয়তে কাহিনী ব্যাখ্যাৰ সমতাৰে তেওঁৰ গল্প পাঠকৰ বাবে আনন্দদায়ক। অসমীয়া চুটিগল্পৰ ভঁৰালত ত্ৰৈলোক্যনাথ গোস্বামীৰ অৰিহনা প্ৰচুৰ পৰিমাণে লক্ষ্য কৰা যায়।

কম সংখ্যক গল্প লিখি জনপ্ৰিয় হোৱা এগৰাকী ব্যক্তি হ’ল ৰাধিকামোহন গোস্বামী। কাহিনী প্ৰধান ধাৰাৰ পোষক হিচাপে তেওঁ আৱাহনকালীন গল্প সাহিত্যক চহকী কৰিছে। তেওঁৰ সাৰ্থক গল্প কেইটামান হ’ল— ‘নিয়তি’, ‘ষ্টেট ট্ৰেন্সপৰ্ট’, ‘দেৱতাৰ সমাধি’ আদি। সাৱলীল, অৰ্থঘন আৰু কবিত্বময় ভাষাৰ লালিত্যৰে গোস্বামীৰ গল্পসমূহ সাহিত্যিক গুণসমৃদ্ধ তথা সামাজিক ভাৱে তাৎপৰ্যপূৰ্ণ। অসমীয়া চুটিগল্পৰ বিকাশ আৰু বিস্তৃতিত ৰাধিকামোহন গোস্বামীৰ গল্পৰ মূল্য আজিও সৰ্বজন সমাদৃত।

‘আৱাহন’ আলোচনীৰ সম্পাদনাৰে অসমীয়া গল্পসাহিত্যলৈ বৰঙণি যোগোৱা দীননাথ শৰ্মা আন এগৰাকী সাৰ্থক গল্পকাৰ। প্ৰাত্যহিক ঘটনাৰে গল্প লিখিবলৈ প্ৰয়াস কৰা শৰ্মাৰ গল্পপুথি কেইখনমান হ’ল — ‘কল্পনা আৰু বাস্তৱ’, ‘দুলাল’, ‘কোৱাভাতুৰীৰ ওঁঠৰ তলত’, ‘পোহৰ’ আদি। সৰল ভাষাৰে সমৃদ্ধ তেওঁৰ কোনো কোনো গল্প ৰোমাণ্টিক ভাৱসম্পন্ন।

আধুনিক গল্প সাহিত্যত মধ্যবিত্তৰ মানসিকতাক চিত্ৰিত কৰা এগৰাকী গল্পকাৰ হ’ল প্ৰবোধ চন্দ্ৰ গোস্বামী। ‘বকুল যেতিয়া সৰে’ তেওঁৰ উল্লেখযোগ্য গল্পসংকলন। তদুপৰি মুনীন

বৰকটকীৰ— ‘অভিশাপ’, ‘বীণা’, ‘অপ্রকাশৰ বেদনা’, ‘বিদ্ৰোহী’, ‘পাপ নে ভুল’, ‘জয় নে পৰাজয়’, ‘সপোন সুধা’; দ্বিপান্বিতা চৌধুৰীৰ— ‘চিৰকুমাৰী’, ‘ৰোমাঞ্চৰ মৃত্যু’, ‘আকাংক্ষা’; চাহ চৈয়দ হাছান আলিৰ— ‘জীৱন সন্ধ্যা’, ‘সৰ্বহাৰা’, ‘বিধৱাৰ দান’ আদি প্ৰাক্-যুদ্ধকালীন উল্লেখযোগ্য চুটিগল্প। ইয়াৰ উপৰিও এই সময়ৰ গল্প সাহিত্যক স্বকীয় ৰচনা সম্ভাৰেৰে ভৰপূৰ কৰা আন কেইগৰাকীমান গল্পকাৰ হ’ল— উমেশ চন্দ্ৰ শইকীয়া, সুপ্ৰভা গোস্বামী, নলিনী কান্ত বৰুৱা, হৰিপ্ৰসাদ ৰায় গোৰ্খা, মোহন লাল চৌধুৰী আদি।

### (গ) ৰামধেনু যুগ বা যুদ্ধোত্তৰ যুগৰ চুটিগল্প (১৯৪০-১৯৭০লৈ)

অসমীয়া চুটিগল্পৰ ইতিহাসত যুদ্ধ পৰৱৰ্তী সময়খিনি অতি তাৎপৰ্যপূৰ্ণ। চল্লিশৰ দশকৰ সময়চোৱাত হোৱা দ্বিতীয় বিশ্বযুদ্ধ, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু আন ৰাজনৈতিক তথা সামাজিক ঘটনাই তদানীন্তন অসমৰ জন-জীৱনলৈ বৰ আহুকাল কঢ়িয়াই আনে। এই ক্ষেত্ৰত ৰাজনৈতিক সংকট আৰু সচেতনতা, অৰ্থনৈতিক দুৰাৱস্থা আৰু ৰূপান্তৰিত মূল্যবোধৰ দণ্ড আদিয়ে সাধাৰণ আৰু শিক্ষিত উভয় শ্ৰেণীৰ চিন্তা-মানসক ভাৰাক্ৰান্ত কৰি তোলে। ফলত পূৰ্বৰ ৰোমাণ্টিক আবেষ্টনীৰ পৰা ফালৰি কাটি আহি চুটিগল্পই বাস্তৱবাদী ধাৰণা ল’বলৈ বাধ্য হয়। এই সময়ৰ ন-চিন্তা আৰু আদৰ্শৰে অনুপ্ৰাণিত গল্পলেখক কেইগৰাকীমান হ’ল— চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, প্ৰফুল্ল দত্ত গোস্বামী, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰনাথ শইকীয়া, হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, পদ্ম বৰকটকী, শীলভদ্ৰ, মামণি ৰয়চম গোস্বামী, প্ৰবীনা শইকীয়া, কুমুদ গোস্বামী, কামাখ্যা সভাপণ্ডিত, ৰোহিনী কুমাৰ বৰা আদি।

যুদ্ধোত্তৰ যুগত গল্প ৰচনাৰে সৰ্বাধিক খ্যাতি অৰ্জা গল্পকাৰগৰাকী হ’ল চৈয়দ আব্দুল মালিক। প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ তেওঁ এগৰাকী অন্যতম সংযোগ সেতু। আদি বয়সৰ সৰহ সংখ্যক গল্পৰ বিষয়বস্তু প্ৰেম আৰু যৌন আকৰ্ষন হ’লেও পৰৱৰ্তী কালৰ বহু গল্পত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আদি বিবিধ দিশ উন্মোচিত হৈছে। গল্পবোৰৰ ভাষা সাৱলীল আৰু মাধুৰ্যপূৰ্ণ। তীব্ৰ কল্পনা শক্তি, সূক্ষ্ম অনুভূতি, উপমা, বক্ৰোক্তি আৰু ব্যঞ্জনাধৰ্মিতাৰে মালিকৰ গল্প প্ৰচুৰ পৰিমাণে কাব্যময় হোৱা দেখা যায়। দীৰ্ঘ সময়ৰ গদ্য সাধনাৰে তেওঁ যি বৃহৎ সংখ্যক গল্প

ৰচনা কৰিছে, সেইবোৰে চুটিগল্পক এক বিশাল পৰিমণ্ডল প্ৰদান কৰা দেখা গৈছে। তেওঁৰ প্ৰথম গল্প সংকলন 'পৰশমণি' (১৯৪৫)। পৰৱৰ্তী সংকলনসমূহৰ ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল— 'এজনী নতুন ছোৱালী', 'ৰঙা গড়া', 'মৰহা পাপৰি', 'শিখৰে শিখৰে', 'মৰম মৰম লাগে', 'শিল আৰু শিখা', 'ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ', 'হাঁহি আৰু চকুলো', 'এখন নিলিখা চিঠি', 'অলংকাৰ', 'ছাই আৰু ফিৰিঙতি', 'তিনিচকীয়া গাড়ী', 'অৰিহনা' আদি। এইধৰণৰ বৃহৎ সংখ্যক গল্প ৰচনাৰ জৰিয়তে চৈয়দ আব্দুল মালিকে অসমীয়া গল্প সাহিত্যক ভাৰতীয় সাহিত্যৰ সৈতে সমৰূপতা প্ৰদান কৰাইছে।

যুদ্ধোত্তৰ যুগৰ অন্যতম গল্পলেখক এগৰাকী হ'ল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। তেওঁৰ *"সৰহভাগ গল্পৰে আদৰ্শ হ'ল সমাজতান্ত্ৰিক বাস্তৱবাদ।"*[১৯] এইবাবেই সম্ভৱতঃ তেওঁৰ গল্পৰ অন্তঃস্থলত অনৱৰতে এটা বিদ্ৰোহী চেতনা বৰ্তমান। তদুপৰি তেওঁৰ গল্পত আছে যৌন মনস্তত্ত্বৰ সফল প্ৰয়োগ। চৰিত্ৰবোৰ গতিশীল আৰু বাস্তৱতাৰ ভেটিত অংকিত। কলাসুলভ বৰ্ণনশৈলীয়ে গল্পসমূহক ৰসোত্তীৰ্ণ কৰি তোলাৰ লগতে পাঠককো কাৰ্য্যিক আনন্দ অনুভূত কৰায়। ভট্টাচাৰ্যৰ সাৰ্থক গল্পকেইটামান হ'ল— 'এজনী জাপানী ছোৱালী', 'ৱাৰ্ড নং দুই', 'মাকনৰ গোঁসাই', 'শলিতা মামী', 'মৰা চহৰ', 'শোন্তি', 'কলং আজিও বয়', 'ধৰ্মঘট', 'প্ৰেম আৰু শ্ৰেয়', 'অভিজিতৰ শেষ নিশা', শিল্পীৰ মৰম আদি।

যুদ্ধ পৰৱৰ্তী চুটিগল্পক জনপ্ৰিয়তা প্ৰদান কৰা অন্য এগৰাকী গল্পকাৰ হ'ল ভৱেন্দ্ৰনাথ শইকীয়া। 'ৰামধেনু'ৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিকলৈকে শইকীয়াই ভালেখিনি গল্প ৰচনা কৰিছে। মূলতঃ কাহিনীপ্ৰধান গল্পকাৰ হিচাপে জনাজাত হ'লেও তেওঁৰ গল্পই বৰ্ণনাৰ চমৎকাৰিত্ব আৰু ভাৱৰ ঐক্যৰে পাঠকৰ মন মোহিত কৰিব পাৰে। সমাজ জীৱনৰ কোনো সমস্যা বা তত্ত্বই ভাৰাক্ৰান্ত কৰাৰ বিপৰীতে এক সহজ-সৰল সন্মোহন শক্তিয়ে তেওঁৰ গল্পৰ আদি-অন্ত আঁৱৰি থাকে। ইয়াৰ মূলতে হ'ল উন্নত কাৰিকৰী-কৌশল। অসমীয়া গল্প সাহিত্যক শক্তিশালী কৰা তেওঁৰ গল্পপুথি কেইখনমান হ'ল— চুটিগল্প ঃ প্ৰহৰী, বৃন্দাবন, গহ্বৰ, সেন্দুৰ, শৃংখল, শ্ৰেষ্ঠগল্প ঃ প্ৰথম খণ্ড, তৰংগ, এই বন্দৰৰ আবেলি, আকাশ, উপকণ্ঠ, সান্ধ্য ভ্ৰমণ আদি। উল্লেখ্য যে চুটিগল্পৰ ক্ষেত্ৰত থকা পাৰদৰ্শিতাৰ চানেকি স্বৰূপে শইকীয়াৰ 'সেন্দুৰ' গল্প সংকলনখনে প্ৰকাশন পৰিষদ বঁটা

---

১৯। মহেন্দ্ৰ বৰা, এক জেনেৰেচন গল্পলেখক, চন্দ্ৰপ্ৰসাদ শইকীয়া, সম্পা. প্ৰকাশ, দশম বছৰ, প্ৰথম সংখ্যা, পৃ. ১৯৬

আৰু ‘শৃংখল’ গল্প সংকলনখনে অকাডেমী বঁটা লাভ কৰিছে।

‘ৰামধেনু’ৰ বুকুত এক পৃথক ভাৱনাৰ প্ৰৱৰ্তন কৰা এগৰাকী বলিষ্ঠ গল্পলেখক হোমেন বৰগোহাঞি। ভাৱ-ভাষা আৰু আংগিকৰ সকলো দিশতে তেওঁৰ গল্পই আধুনিকতাৰ নতুন স্বাদ অনুভূত কৰায়। তেওঁৰ গল্পৰ বিষয়বস্তু বিশ্লেষণধৰ্মী তথা বহু ভাৱনাৰে সমৃদ্ধ। প্ৰতীকাত্মক আৰু মনঃস্তাত্বিক গল্পও তেওঁ কিছু ৰচনা কৰিছে। মন কৰিবলগীয়া যে গল্পৰ আংগিক-কৌশলৰ দিশত তেওঁ অত্যন্ত মনোযোগী। ভাৱবস্তু অনুযায়ী তেওঁৰ গল্পৰ ভাষা সাৱলীল আৰু অলংকাৰপূৰ্ণ। জঘন্য আৰু নাৰকীয় ক্ৰিয়া-কলাপৰ জৰিয়তে জীৱনৰ নিগূঢ় সত্যৰ সন্ধান কৰি তেওঁ পাঠকক চমৎকাৰ কৰিব পাৰে। ‘বিভিন্ন কোৰাছ’, ‘প্ৰেম আৰু মৃত্যুৰ কাৰণে’, ‘গল্প আৰু নক্সা’ আদি হোমেন বৰগোহাঞিৰ তেনে ধৰণৰ উল্লেখযোগ্য গল্পসংকলন। মনত ৰাখিবলগীয়া যে ভাৱনাৰ নতুনত্বৰে হোমেন বৰগোহাঞিয়ে অসমীয়া চুটিগল্পক বিশ্ব চুটিগল্পৰ সহমৰ্মিতা প্ৰদান কৰিছে।

যুদ্ধোত্তৰ যুগৰ গল্প সাহিত্যক সমৃদ্ধ কৰা আন এগৰাকী গল্পকাৰ হ’ল চন্দ্ৰপ্ৰসাদ শইকীয়া। ‘ৰামধেনু’ৰ বুকুত আত্মপ্ৰকাশ আৰু প্ৰতিষ্ঠা লাভ কৰি শইকীয়াই ভালেসংখ্যক গল্প ৰচনা কৰিছে। গল্পবোৰ নৈতিক আদৰ্শৰ ভেটিত ৰচিত। বিষয়বস্তুৰ পোনপটীয়া উপস্থাপনেৰে ভাষা সৰল তথা প্ৰাঞ্জল। তদানীন্তন সময়-সামগ্ৰিকতাক তেওঁ গল্পত ভালকৈয়ে ৰূপদান কৰিছে।

‘ৰামধেনু যুগ’ৰ গল্পকাৰসকলৰ মাজৰ পৰা যুদ্ধ পৰৱৰ্তী চুটিগল্পক প্ৰসিদ্ধি দিয়া আন এগৰাকী গল্প লেখক হ’ল প্ৰফুল্ল দত্ত গোস্বামী। তেওঁৰ গল্পত সংহত কাহিনী বা পৰম্পৰাগত ধাৰণা এটা পাবলৈ টান। এটা মাত্ৰ অনুভূতিৰ আধাৰতে তেওঁৰ গল্পৰ বিষয়বস্তু নিৰ্মিত। ‘ভেজাল সোণ’, ‘নিফুট বচন’ আদি গল্প ৰচনাৰ ক্ষেত্ৰতো উক্ত বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি গোস্বামীয়ে এক সুকীয়া আৰু স্বতন্ত্ৰ আসন ৰক্ষা কৰিবলৈ সক্ষম হৈছে। এনেবোৰ কাৰণতে যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ বিকাশৰ ক্ষেত্ৰত গোস্বামীৰ নাম ল’বলগীয়া হয়।

যুদ্ধোত্তৰ যুগৰ চুটিগল্পক বিকাশমান কৰা এগৰাকী গল্প লেখক হ’ল যোগেশ দাস। ‘আৱাহন যুগ’ত গল্প ৰচনাৰে আত্মপ্ৰকাশ কৰিলেও তেওঁ ‘ৰামধেনু’ আলোচনীৰ বুকুতহে সঠিক প্ৰতিষ্ঠা লাভ কৰে। গল্পৰ টেক্‌নিকৰ প্ৰতি বহু বেছি সচেতন নোহোৱাকৈয়ে তেওঁ ভালেসংখ্যক গল্প ৰচনা কৰিছে। তাৰ মাজৰ বহু গল্পই আকৌ পাঠকৰ মনত সাঁচ বহুৱাবলৈ সক্ষমো হৈছে। তেওঁৰ গল্পত আছে এটা নিজস্ব বাক্‌ভঙ্গী। অসমীয়া গল্প সাহিত্যলৈ অৱদান স্বৰূপ তেওঁৰ গল্প সংকলন

কেইখনমান হ'ল — পপীয়া তৰা, আন্ধাৰৰ আঁৰে আঁৰে, ত্রিবেনী, মদাৰৰ বেদনা, হাজাৰ লোকৰ ভিৰ, পৃথিৱীৰ অসুখ আদি।

'ৰামধেনু'ৰ বুকুত গল্প ৰচনাৰে প্ৰতিষ্ঠা পোৱা এগৰাকী গল্পলেখক মহিম বৰা। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়চোৱাত গল্প ৰচনাৰ ক্ষেত্ৰখনত তেওঁ মনোনিৱেশ্ কৰে আৰু প্ৰতিষ্ঠা পায়। বাস্তৱতাৰ ভিত্তিত গল্প ৰচনা কৰিলেও তেওঁৰ হাতত হাস্য-ৰসাত্মক ধাৰাটোহে অধিক প্ৰাণৱন্ত। জীৱনৰ একোটা সাধাৰণ ঘটনাকে সংযত আৰু প্ৰতীকি ব্যঞ্জনাৰে গল্পত তেওঁ ৰসোত্তীৰ্ণ কৰি তুলিছে। অসমীয়া গল্প সাহিত্যক সমৃদ্ধ কৰা তেওঁৰ গল্পৰ সংকলন ক্ৰমে— কাঠনিবাৰী ঘাট, দেহা গৰকা প্ৰেম, ৰাতি ফুলা ফুল, বৰযাত্ৰী, মোৰ প্ৰিয় গল্প, এখন নদীৰ মৃত্যু, গল্প সমগ্ৰঃ মহিম বৰা আদি। উল্লেখ্য যে 'ৰাতি ফুলা ফুল' পুথিৰ বাবে বৰাই প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে।

'ৰামধেনু'ৰ চুটিগল্পত শক্তিশালী নতুনত্বৰ সংযোগ ঘটোৱা গল্প লেখকগৰাকী হ'ল সৌৰভ কুমাৰ চলিহা। তেওঁৰ গল্পৰ মননশীলতাই পাঠকৰ বুদ্ধিগাহ্যতাক আলোড়িত কৰে। আধুনিক জীৱনৰ জটিলতা, আত্মকেন্দ্ৰিকতা, নিঃসঙ্গতা আৰু বিশৃংখলতাই তেওঁৰ গল্পক তাৎপৰ্যপূৰ্ণ কৰি তোলা দেখা যায়। দেখাত জটিল যেন লাগিলেও তেওঁৰ গল্প দুৰ্বোধ্য নহয়। *"কলাগুণৰ অলপো হীনড়েঢ়ি নোহোৱাকৈ চুটিগল্পক বৌদ্ধিকতাৰ ওচৰ চপাই নিয়াৰ দিশতো সৌৰভ কুমাৰ চলিহা অসমীয়া চুটিগল্পৰ ইতিহাসত পথিকৃত লেখক।"*[২০] নতুন আংগিক উদ্ভাৱনেৰে লিখি উলিওৱা গল্পসমূহৰ একত্ৰ সংকলনৰ কেইখনমান হ'ল— মায়ামৃগ, নাচপতি ফুল, চক্ৰবৎ আৰু অংগীকাৰ আদি।

যুদ্ধোত্তৰ যুগৰ সময় সামগ্ৰিকতাক ধৰি ৰখাৰ প্ৰয়াস কৰা এগৰাকী লেখিকা হ'ল স্নেহ দেৱী। 'নিৰ্ব্বেজাল', 'এটি বিশেষ ৰাতি' আদি গল্প ৰচনাৰে যুগ মানসক প্ৰতিফলিত কৰাৰ তেওঁ প্ৰয়াস কৰা দেখা যায়। প্ৰাত্যহিক জীৱনৰ তুচ্ছ বা সাধাৰণ ঘটনা বা পৰিস্থিতিৰেও তেওঁ গল্পক আনন্দদায়ক কৰি তুলিব পাৰে। 'কৃষ্ণ দ্বিতীয়াৰ জোনাক', 'স্নেহ দেৱীৰ গল্প', 'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প', 'স্নেহ দেৱীৰ একুঁৰি গল্প' আদি গল্পপুথিৰে তেওঁ অসমীয়া গল্পৰ ভঁৰাল চহকী কৰিছে।

'ৰামধেনু'ৰ পৰা সাম্প্ৰতিকলৈ গল্প ৰচনাত ব্ৰতী থকা এগৰাকী গল্পলেখক হ'ল লক্ষ্মীনন্দন বৰা। 'ভাওনা', 'সম্পত্তি' আদি গল্প ৰচনাৰে আত্মপ্ৰকাশ কৰা বৰাৰ গল্পৰ সংখ্যা এতিয়া ভালেখিনি

২০। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ২৪০

হ'ব। নিজে আধুনিক মনোভাৱসম্পন্ন যদিও তেওঁৰ গল্পই গাঁৱলীয়া আৰু নগৰীয়া জীৱনকো অংকিত কৰিছে। বিষয়বস্তুৰ সতে আংগিকৰ সফল সমন্বয় বৰাৰ গল্পৰ অন্যতম সফলতা। অসমীয়া চুটিগল্পৰ কাৰিকৰী দিশৰ বিশ্লেষণত তেওঁৰ গল্পই উচ্চ স্থান লাভ কৰিবৰ যোগ্যতা ৰাখিছে। অসমীয়া গল্পৰ বিকাশ দ্ৰুততৰ কৰি তোলা বৰাৰ কেইখনমান গল্পপুথি হ'ল— দৃষ্টিৰূপা, সেই উতলা, গৌৰী ৰূপক, গোপন গধূলি, কাঁচিয়লিৰ কুঁৱলী, অচিন কইনা, দেৱতাৰ ব্যাধি, কঠিন মায়া, সেহি অনুৰাগে আদি।

যুদ্ধই সৃষ্টি কৰা শ্ৰেণী সমাজৰ মানসিক দ্বন্দ্বৰ চিত্ৰনেৰে গল্প ৰচনা কৰা এগৰাকী লেখিকা হ'ল নিৰূপমা বৰগোহাঞিঃ। সৰু সৰু কথাৰ মাজত জীৱনৰ বৈচিত্ৰ্যৰ সন্ধান কৰি তেওঁ সহানুভূতিশীলতাৰ পৰিচয় দিছে। তেওঁৰ গল্পত আছে পৰিৱৰ্তনকামী আৰু মুক্তিকামী এক চিৰন্তন স্পৃহা। উচ্চতম জীৱন-যাপনৰ সপোন তেওঁৰ গল্পৰ বক্তব্য। এইক্ষেত্ৰত মাৰ্ক্সীয় চেতনা আৰু সংস্কাৰকামী মনোভাৱে তেওঁৰ গল্পক সৰ্বতো প্ৰকাৰে ভৰাই ৰাখিছে। স্থিতাৱস্থাৰ বিৰুদ্ধে সাহসীকতাৰ সঞ্চাৰ কৰি নিৰূপমা বৰগোহাঞিৰ গল্পই প্ৰচুৰ সমাজ সচেতনতা আৰু বাস্তৱবাদৰ পৰিচয় দিয়ে। 'জীৱন আৰু ফেণ্টাচী', 'নিৰূপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প', 'অনেক আকাশ, 'নিৰূপমা বৰগোহাঞিৰ গল্প সমগ্ৰ' আদিৰ গল্পবোৰ এই ক্ষেত্ৰত স্মৰণযোগ্য।

ষাঠিৰ দশকৰ পৰা হাস্য-ৰসাত্মক ব্যঙ্গৰে গল্প ৰচনা কৰা এগৰাকী গল্পকাৰ হ'ল শীলভদ্ৰ। মাৰ্জিত ব্যঙ্গৰে সমাজৰ শোষিত শ্ৰেণীৰ চৰিত্ৰ উদঙাই দি তেওঁ সময় সচেতনতাৰে পৰিচয় দিছে। সুতীক্ষ্ণ ব্যঙ্গৰ পৰিৱৰ্তে সৰল ব্যঙ্গ কৰি শীলভদ্ৰই অসমীয়া ব্যঙ্গ ধাৰাত এখন স্বকীয় আসন লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ গল্পৰ বিষয়বস্তু বাস্তৱধৰ্মী; ভাষা অনাড়ম্বৰ অৰ্থাৎ সৰল, পোনপটীয়া। প্ৰায় চাৰিশতকৈ অধিক গল্প ৰচনাৰে শীলভদ্ৰই অসমীয়া চুটিগল্পৰ মূল সুঁতিটোক দ্ৰুত কৰি তুলিছে। তেওঁৰ গল্প পুথিসমূহৰ ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল— সমুদ্ৰ তীৰ, বীৰ সৈনিক, শীলভদ্ৰৰ কুৰিটা গল্প, মেজাজ, আকৌ মধুপুৰ, মধুপুৰ বহুদূৰ, অন্য এক মধুপুৰ, উত্তৰ নাই আদি।

ইয়াৰ উপৰিও যুদ্ধোত্তৰ যুগৰ চুটিগল্পক ব্যাপ্তি প্ৰদান কৰা আন গল্পকাৰ কেইগৰাকীমান হ'ল— মামণি ৰয়চম গোস্বামী, নগেন শইকীয়া, ইমৰাণ শ্বাহ, অনিমা দত্ত, প্ৰবীণা শইকীয়া, কুমুদ গোস্বামী, প্ৰণৱজ্যোতি ডেকা, কামাখ্যা সভাপণ্ডিত, ৰোহিনী কুমাৰ বৰা, ফুল বৰা, ৰিজু হাজৰিকা, ঘন হাজৰিকা, কীৰ্ত্তিনাথ হাজৰিকা, যতীন বৰা, অনিমা গুহ, দ্বৈবচন্দ্ৰ তালুকদাৰ,

ইন্দিবৰ গগৈ, কেশৱ চন্দ্ৰ দাস আদি। এওঁলোকৰ দ্বাৰা সৃষ্ট চুটিগল্পই যুদ্ধ পৰৱৰ্তী গল্প সাহিত্যক বিষয় বৈচিত্ৰ্যৰে ভৰাই তোলা পৰিলক্ষিত হয়।

## ঘ) সাম্প্ৰতিক যুগৰ চুটিগল্প (১৯৭০ৰ পৰা সাম্প্ৰতিকলৈ)

বিংশ শতিকাৰ শেষ তিনিটা দশকক সাম্প্ৰতিক কালৰ অন্তৰ্ভুক্ত কৰা হৈছে। উক্ত কালৰ অন্তঃস্থলত কেইটামান কাৰক লক্ষ্য কৰা যায়। মনকৰিবলগীয়া যে এই কাৰকবোৰ কোনো ঐতিহাসিক নহয়, বৰং *"স্বাভাৱিক অৱস্থা এটাৰ অতি অস্বাভাৱিক পৰিস্থিতি অথবা বাতাবৰণ"*[২১] হে। এই কথাটোকে স্পষ্ট কৰিবৰ বাবে ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আৰু সমাজ-সাংস্কৃতিক আদি দিশৰ ওপৰত আলোচনা কৰিবলগীয়া হয়। দেখা যায় যে ১৯৭০ চনৰ পিছৰ কালছোৱাক অসমৰ ৰাজনৈতিক ভ্ৰষ্টাচাৰিতা, ১৯৭৫ চনৰ ভাৰতৰ জৰুৰীকালীন অৱস্থা, ১৯৭৯ চনৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন, অৰ্দ্ধ-সামন্ততান্ত্ৰিক শাসন ব্যৱস্থাৰ বিৰুদ্ধ প্ৰতিবাদী চিন্তাৰ উন্মেষ, বিদেশীৰ আগমনত অৰ্থনীতিৰ নিম্নগামিতা, স্থানীয় পুঁজিপতিৰ প্ৰতিপত্তি, ব্যক্তিকেন্দ্ৰিক ভোগবাদী প্ৰৱণতা, শিক্ষাৰ মানদণ্ডৰ দ্ৰুত নিম্নগামিতা, শিক্ষিতৰ তুলনাত অসন্তোষজনক বৌদ্ধিক বিকাশ, ইংৰাজী মাধ্যমৰ স্কুল স্থাপনেৰে ব্যৱসায় বঢ়োৱাৰ প্ৰৱণতা, অসমীয়া মাধ্যমৰ স্কুলত অধ্যয়ন বিমুখীতা, দূৰদৰ্শনৰ সস্তীয়া প্ৰচাৰধৰ্মিতা, যুৱ বিভ্ৰান্তকাৰী কথাছবি নিৰ্মাণ, সহজলভ্য ধনৰ প্ৰতি আকৰ্ষণ, সামাজিক শৃংখলাৰ অৱক্ষয় আৰু জাতীয় সংস্কৃতি বিকৃতকৰণ আদি একাধিক সমস্যাই দোলায়িত কৰি ৰাখে। ফলত এই দশক তিনিটা সংশয়, অবিশ্বাস, ঘৃণা আৰু অনিশ্চয়তাৰে ভাৰাক্ৰান্ত হৈ পৰে। সাম্প্ৰতিক কালৰ চুটিগল্প পিছে এই আক্ৰান্ত পৰ্যায়-পৰিস্থিতিৰে ফল। যা হওঁক, নিম্নলিখিত গল্পকাৰসকলৰ গল্পৰ প্ৰসঙ্গেৰে সাম্প্ৰতিক কালৰ চুটিগল্পৰ বিষয়-বিস্তৃতি জানিব পৰা যায়। এই যুগৰ উল্লেখযোগ্য গল্পকাৰসকল হ'ল—

অৰুণ গোস্বামী, অৰূপা পটঙ্গীয়া কলিতা, বিপুল খাটনিয়াৰ, গোবিন্দ প্ৰসাদ শৰ্মা, প্ৰফুল্ল চন্দ্ৰ বৰা, প্ৰহ্লাদ কুমাৰ বৰুৱা, জ্যোতিষ শিকদাৰ, জেহেৰুল হুচেইন, দেবব্ৰত দাস, পুৰবী বৰমুদৈ, মনোৰমা দাস মেধি, মনোজ কুমাৰ গোস্বামী, অনুৰাধা শৰ্মা পূজাৰী, ৰবীন শৰ্মা, শিবানন্দ কাকতি, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, য়েছে দৰজে ঠংচি, কুল শইকীয়া, ইমৰাণ হুছেইন, মৌচুমী কন্দলী,

২১। প্ৰহ্লাদ কুমাৰ বৰুৱা, পূৰ্ব উল্লিখিত গ্ৰন্থ, পৃ. ৪৪৩

মনালিছা শইকীয়া, প্ৰশান্ত কুমাৰ দাস, অৰূপ কুমাৰ নাথ, বন্তি শেনচোৱা আদি।

উদ্দেশ্যধৰ্মী গল্প লিখি প্ৰতিষ্ঠা পোৱা এগৰাকী গল্পকাৰ হ'ল অৰুণ গোস্বামী। নিজৰ উদ্দেশ্যধৰ্মী প্ৰৱণতাৰ বাবে গল্পৰ শিল্পমূল্য ম্লান পৰাৰ আশংকা প্ৰকাশ কৰি তেওঁ কৈছে যে— *"উদ্দেশ্য আগত ৰাখি সাহিত্য সৃষ্টি কৰাৰ বাবে মোৰ সাহিত্য হয়তো উদ্দেশ্যমুখী হৈছে আৰু হয়তো সেই দৃষ্টিয়ে সাহিত্যিক মূল্য দাবী কৰাৰ পৰা বঞ্চিত হ'ব লাগিব পাৰে।"*[২২] দেখা যায় যে গোস্বামীয়ে নিজে সন্দেহ কৰা ধৰণে তেওঁৰ সকলো গল্পৰ শিল্পমূল্য ম্লান পৰা নাই। নিবনুৱা সমস্যা আৰু সমাজৰ অসাধু মানুহৰ চাৰিত্ৰিক বিচ্যুতিৰ প্ৰতি তেওঁৰ গল্প কটু সমালোচনাত্মক। বক্তব্য প্ৰকাশৰ মাধ্যম স্বৰূপ তেওঁৰ সাৰ্থক গল্প কেইটামান হ'ল— 'পচিছটা চকাৰ এখন অচল ৰথ', 'এজন নতুন শিল্পীহে লাগে', 'কুকুৰ পুলিচ', 'মাতৃ বিয়োগ', 'শেষ সংবাদ', 'আমি অপেক্ষা কৰি আছো', 'কলা', 'মাছমৰীয়া ছোৱালীৰ লাজ' আদি।

সত্তৰৰ দশকৰ গল্প সাহিত্যক সমৃদ্ধ কৰা এগৰাকী লেখিকা হ'ল অৰূপা পটঙ্গীয়া কলিতা। সঁচা অৰ্থত তেওঁ সামাজিকভাৱে দায়বদ্ধ গল্পকাৰ। সেয়েহে সমকালীন নিপীড়িত জনসাধাৰণৰ প্ৰতি দৰদ্ তেওঁৰ গল্পত অতি স্পষ্ট। তদুপৰি ৰাজনৈতিক, আৰ্থ-সামাজিক, সাম্প্ৰদায়িকতাবাদ, আন্তৰ্জাতিকতাবাদ আদি সৰ্বদিশৰ প্ৰভাৱেও তেওঁৰ গল্পক সৰ্বাঙ্গসুন্দৰ কৰি তুলিছে। লোক কাহিনীৰ সচেতন আৰু কলাসন্মত প্ৰয়োগ, স্বপ্নৰ আলোকত আদৰ্শ পৃথিৱীৰ চিত্ৰায়ণ, লিংগভিত্তিক বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদ, সন্ত্ৰাসবাদে জন্ম দিয়া জঘন্য পীড়নৰ বিৰুদ্ধাচৰণ আদি কলিতাৰ গল্পৰ অতি উপাদেয় বস্তু। তেওঁৰ সাতখন সংকলনত মুঠ গল্পৰ সংখ্যা হ'ল চৌৰাশীটা। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল— 'বগামাটি থানৰ ভোগী', 'ডাঙৰ নবৌ', 'মিচ হাবিচামৰ আবেলি', 'বহাগ', 'বৰযুণ', 'অস্থি', 'ভূমিপুত্ৰ', 'আই', 'পথাৰৰ মাণিক', 'বীৰ দৈমালুৰ সাধু', 'আলেকজান বানুৰ জান', 'শেঠানী', 'ঘৃণাৰ ইপাৰ সিপাৰ', 'পাছ চোতালৰ কথকতা' আদি।

সাম্প্ৰতিক চুটিগল্পৰ গতি প্ৰৱাহক ত্বৰান্বিত কৰা এগৰাকী প্ৰতিভাবান গল্পলেখক বিপুল খাটনিয়াৰ। প্ৰকৃতি সচেতনতাৰ উপৰিও নৈতিকতাৰ স্খলন, মানৱতাৰ অৱক্ষয়, দুৰ্নীতিৰ কপটতা, হিংসা-প্ৰতিহিংসা আৰু বহুমাত্ৰিক ৰাজনীতিৰ স্বৰূপ, আস্থা আৰু বিশ্বাস, লোক সংস্কৃতিৰ দৃশ্যায়ন আদি ভিন্ন প্ৰসঙ্গ তেওঁৰ গল্পত বিদ্যমান। তেওঁৰ প্ৰত্যেকটো গল্পয়ে বহুমাত্ৰিক কথকতাৰ স্নেপশ্বট

২২। নগেন শইকীয়া, সম্পা. আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ, পৃ. ১৭০

আগবঢ়ায়। ফলত সাৰাংশৰ ৰূপত তেওঁৰ গল্প বুজিবলৈ টান হয়। এয়াই তেওঁৰ গল্পৰ আকৰ্ষণৰ প্ৰধান কাৰণ। তদুপৰি ভাৱৰ গাম্ভীৰ্য আৰু কাৰিকৰী কৌশলৰ প্ৰতি সচেতনতা তেওঁৰ গল্পৰ ক্ষেত্ৰত লক্ষ্য কৰিবলগীয়া বৈশিষ্ট্য। 'ভাদৈ পেহী', 'বহুৱা', 'হেৰোৱা সুবাস', 'বাঁকৰ সাধু' আদি তেওঁৰ উল্লেখযোগ্য গল্প।

সাম্প্ৰতিক গল্পক নতুন কলা-কৌশলেৰে সংপৃক্ত কৰোৱা এগৰাকী গল্পলেখক গোবিন্দ প্ৰসাদ শৰ্মা। স্বাধীনতাৰ পূৰ্ব আৰু পৰৱৰ্তী সময়ৰ এখন গাঁৱৰ সমাজৰ সঁচা ছবি তেওঁৰ গল্পত স্পষ্ট। গল্পৰ ক্ৰম আৰু আংগিকৰ ক্ষেত্ৰত তেওঁ সদা সচেতন। নাৰীৰ মনস্তত্ত্ব, কুটিল আমোলাতন্ত্ৰৰ দুৰ্নীতি, মানুহ-প্ৰকৃতিৰ সংঘাত, সামাজিক বৈষম্য আৰু সংহতি, ব্ৰাহ্মণৰ সংকীৰ্ণ মনোবৃত্তি আদিৰে শৰ্মাৰ গল্পৰ নিৰ্মাণশৈলী অতি উন্নত। তদুপৰি গল্পবোৰত আছে পৰীক্ষা-নিৰীক্ষা আৰু মতবাদ-দৰ্শনৰ প্ৰভাৱ। বৰ্ণনাৰ অভিনৱত্বৰ বাবে শৰ্মাৰ গল্পবোৰে সাম্প্ৰতিক অসমীয়া গল্পৰ ভঁৰালত সুকীয়া মৰ্যাদা লাভ কৰিছে। কাচৰ দৰে হীৰাৰ দৰে (১৯৬৮), দূষিত সুবাস (১৯৭১), ছোৱালী হোষ্টেলত এগৰাকী লেজ্‌বিয়ান (১৯৯৩), চিত্ৰ বিথিকা (২০০২), হে অৰণ্য হে মহানগৰ আদি গোবিন্দ প্ৰসাদ শৰ্মাৰ উল্লেখযোগ্য গল্প সংকলন। ইয়াৰে *"কাঁচৰ দৰে, হীৰাৰ দৰে' অসমীয়া সাহিত্যত ত্ৰিলজি ৰচনাৰ প্ৰথম প্ৰয়াস।"*[২৩]

ৰসোত্তীৰ্ণ গল্প ৰচনাৰে নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হোৱা এগৰাকী গল্পলেখক হ'ল প্ৰফুল্ল চন্দ্ৰ বৰা। এগৰাকী সামাজিকভাৱে সচেতন আৰু দায়বদ্ধ ব্যক্তি হিচাপে সমাজৰ ইতিবাচক আৰু নেতিবাচক শক্তিসমূহক গল্পৰ জৰিয়তে তেওঁ চিনাকি কৰোৱাইছে। কাহিনী সাহিত্যৰ দিশত তেওঁ হ'ল এগৰাকী অন্যতম বাটকটীয়া। তেওঁৰ ভাষা সুন্দৰ, পৰিবেশ-পৰিস্থিতিভেদে ভাষাৰ উঠা-নমা লয় বৰ মনোগ্ৰাহী। কেতিয়াবা ভাষিক স্বল্পতাৰ অভাৱ দেখা গ'লেও বৰাৰ গল্পত বক্তব্যৰ অন্তৰঙ্গতা সঘনাই অনুভূত হয়। সাম্প্ৰতিক অসমীয়া চুটিগল্পক মনোগ্ৰাহী কৰিবলৈ সক্ষম হোৱা প্ৰফুল্ল চন্দ্ৰ বৰাৰ গল্প সংকলনসমূহ হ'ল— সোঁত সলনি হৈছে, মোৰ দাপোনত, ৰংসনা মানুহৰ ৰং, ডালিম পুখুৰীৰ সংকেত, মৃত্যুহীন পৰিধি, জোনাকৰ অভিষেক, তাত নদী আছিল আদি।

সত্তৰ দশকৰ পৰৱৰ্তী গল্প সাহিত্যক সমৃদ্ধ কৰা আন এগৰাকী সৰবৰাহী গল্পলেখক হ'ল প্ৰহ্লাদ কুমাৰ বৰুৱা। তেওঁৰ গল্পত বিংশ শতিকাৰ শেষ স্তৰৰ উন্মুক্ত চিন্তা প্ৰবাহৰ সোঁত বৰ্তমান।

---

২৩। গোবিন্দ প্ৰসাদ শৰ্মা, হে অৰণ্য হে মহানগৰ, পৃ. ২৭

মনস্তাত্ত্বিক, অস্তিত্ববাদ, ৰহস্যবাদ, উত্তৰ আধুনিকতাবাদ, মানৱতাবাদ, ৰমন্যাসিকতাবাদ আদি নানান চিন্তা-আদৰ্শ বৰুৱাৰ গল্পত প্ৰতিফলিত হোৱা দেখা যায়। ইয়াৰ উপৰিও ইংগিতধৰ্মী ৰচনা শৈলী, কাব্যিক সৌন্দৰ্য, অতি চিনাকি পটভূমিত গল্পৰ বিষয় উপস্থাপন, তৃতীয় পুৰুষত গল্প ব্যাখ্যা, অসীমিত বিষয়বস্তু আদিৰে প্ৰহ্লাদ কুমাৰ বৰুৱাৰ হাতত অসমীয়া চুটিগল্পৰ বিস্তৃতি ত্বৰাণিত হোৱা পৰিলক্ষিত হয়। তাৎপৰ্যপূৰ্ণ বিষয় বৈচিত্ৰ্যৰে বৰুৱাৰ গল্প সংকলনকেইখন হ'ল— জলছবি (১৯৮৪), অন্তৰংগ আলাপ (২০০০), মৃগতৃষ্ণা (২০০৩), অন্বেষণ (২০০৫) কোমল গান্ধাৰ (২০০৫), মমৰ পোহৰত (২০০৫) আদি।

মৰ্মভেদী সৃষ্টি সম্ভাৰেৰে আশীৰ দশকৰ গল্প সাহিত্যক ব্যাপ্তি আৰু পৰিধি প্ৰদান কৰা গল্পলেখক এগৰাকী হ'ল জ্যোতিষ শিকদাৰ। বাহ্যিকতাৰ ঠাইত আত্মীক, তনুচক্ষুৰ ঠাইত মনচক্ষু, মূৰ্তৰ ঠাইত বিমূৰ্ত ভাৱনাক সম্বল হিচাপে লৈ শিকদাৰে এলানি সাৰ্থক গল্প ৰচনা কৰিছে। মনৰ গহনত সত্যৰ অনুসন্ধান কৰা তেওঁৰ এটা সাৰ্থক গল্প হ'ল 'শূন্যত ওলমি থকা মানুহ'। অস্তিত্ববাদী জীৱনবোধ, নিঃসংগতাৰ চেতনাৰ প্ৰভাৱেৰে জ্যোতিষ শিকদাৰ এগৰাকী ব্যতিক্ৰমী লেখক। *"জ্যোতিষ শিকদাৰে সমকালীন সমাজ তথা দেশৰ সমস্যাতকৈ মানুহৰ মনৰ ভিতৰখনতহে প্ৰৱেশ কৰিবলৈ যত্ন কৰা দেখা গৈছে। ই শুভ লক্ষণ। কাৰণ সাহিত্যত সমকালীন জীৱন চিত্ৰ প্ৰতিফলিত হ'ব লাগে যদিও মানুহৰ চিৰন্তন মৌলিক প্ৰবৃত্তিৰ অনুসন্ধানেহে সাহিত্যৰ গভীৰতা বঢ়ায়।"*[২৪] অসমীয়া চুটিগল্পক পৃথক ভাৱনাৰে সমৃদ্ধ কৰি তোলাৰ ক্ষেত্ৰত জ্যোতিষ শিকদাৰৰ গল্পৰ ভূমিকা অপৰিসীম। তেওঁৰ গল্পপুথিসমূহ হ'ল— গান ভালপোৱা ছোৱালীজনী, স্বপ্ন বিষাদ জীৱন (১৯৯৪), পুখুৰী (১৯৯৮), শৈশৱ (১৯৯৭), ফুলবোৰ যেতিয়া সৰি পৰে (২০০০), ভেনাচৰ প্ৰতিমূৰ্তি (২০০৬) আদি।

বিংশ শতিকাৰ আশী-নব্বৈ দশকৰ এগৰাকী প্ৰগতিবাদী গল্পকাৰ হ'ল জেহিৰুল হুছেইন। অতি সাম্প্ৰতিক কাৰকৰ ভেটিত তেওঁৰ গল্প বিভাজিত। এইক্ষেত্ৰত অসম আন্দোলনৰ প্ৰতিবাদ, শ্ৰমজীৱী মানুহৰ পৰিৱৰ্তনৰ আকাংক্ষা, মধ্যবিত্তৰ সুবিধাবাদ আৰু অন্তঃসাৰশূন্যতা, সাম্প্ৰদায়িকতাৰ বিৰোধ, সন্ত্ৰাস বিৰোধ, বিশ্বায়ন বিৰোধ আদি অন্যতম। গল্পবোৰ যেন জাতি-বৰ্ণ-সম্প্ৰদায়হীন শোষণ আৰু সন্ত্ৰাস মুক্ত এখন সমাজৰ হকে এক কলাত্মক আবেদন। সহজ-সৰল ভাষা আৰু

২৪। প্ৰহ্লাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৪৭৯

উপমা আদি অলঙ্কাৰৰ প্ৰয়োগেৰে জেহিৰুল হুছেইন গল্প সাহিত্যৰ প্ৰগতিশীল ধাৰাৰ পোষক। তেওঁৰ গল্প সংকলনসমূহ হ'ল— দুবৰি বনৰ জুই (১৯৯১), ৰাং কুকুৰৰ টুপী (২০০০), চিলিকন ভেলীৰ মানুহ (২০০৫) আদি।

বিংশ শতিকাৰ শেষ দশকৰ গল্প সাহিত্যক এক ব্যতিক্ৰমী সোৰাদেৰে ওপচাই দিয়া লোকজন হ'ল দেৱব্ৰত দাস। তেওঁ মূলতঃ মানৱতাবাদী। গল্পৰ আংগিকৰ দিশত তেওঁৰ দ্বাৰা বহুতো পৰীক্ষা-নিৰীক্ষা সম্পাদিত হোৱাটো এইখিনিতে মন কৰিবলগীয়া। বাস্তৱতাক অৱজ্ঞা নকৰাৰ দৰে তেওঁ কল্পনাতো আত্মমগন নহয়। অসমীয়া চুটিগল্পৰ পৰিৱৰ্তনশীল গতি প্ৰবাহক তেওঁৰ গল্পই বহুখিনি সমৃদ্ধশালী কৰিছে। বিশেষকৈ 'ক'লাজ' আৰু 'মণ্টাজ' পদ্ধতিৰ প্ৰয়োগ তেওঁৰ গল্পত যথেষ্ট ফলপ্ৰসূ। অৰ্পিতাৰ এৰাতি, অৰ্পিতাৰ অন্য এৰাতি, হয়তোবা ভেশচন, দেবব্ৰত দাসৰ নিৰ্বাচিত গল্প, নিৰ্মালীৰ সপোন আদি তেওঁৰ উল্লেখযোগ্য গল্পৰ পুথি।

আধুনিক মানুহৰ বাহ্যিক আৰু মনোজগতৰ সফল ৰূপায়ন ঘটোৱা এগৰাকী মহিলা গল্পকাৰ হ'ল পূৰবী বৰমুদৈ। মানুহৰ জীৱন-জগত, মূল্যবোধৰ ভগ্নাংশ, প্ৰেমৰ জগতখনৰ অৱক্ষয় হ'ব ধৰা অৱস্থা আদিয়ে বৰমুদৈৰ গল্পক বিষয়ৰ বৈচিত্ৰপূৰ্ণতা প্ৰদান কৰিছে।। গল্প কোৱাৰ সৰল আৰু সংবেদনশীল ৰীতিৰে তেওঁৰ গল্প হৃদয়স্পৰ্শী। আনহাতে সৰু সৰু ঘটনাৰ মনস্তাত্ত্বিক বিশ্লেষণ, শক্তিশালী বক্তব্য, ভাৱ অনুযায়ী ভাষা প্ৰয়োগ, সৰল জতুৱা কথনশৈলী আদিৰে পূৰবী বৰমুদৈৰ গৰিমা অতুলনীয়। অসমীয়া চুটিগল্পৰ গতি প্ৰৱাহক নতুনত্ব প্ৰদান কৰা তেওঁৰ গল্পৰ পুথিকেইখন হ'ল— শীতৰ কুঁৱলী (১৯৭৬), পুৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প (২০০২), পূৰবী বৰমুদৈৰ নিৰ্বাচিত গল্প (২০০৮) আদি।

সূক্ষ্ম নিৰীক্ষণ আৰু বুদ্ধিমত্তাৰে সাম্প্ৰতিক গল্প সাহিত্যক সমৃদ্ধ কৰা এগৰাকী গল্প লেখিকা মনোৰমা দাস মেধি। সামাজিক দায়বদ্ধতা, একান্ত মিতব্যয়িতা, সূক্ষ্ম নিৰীক্ষণ, উদ্ভাৱনী কৌশল, বুদ্ধিদীপ্ত চমৎকাৰিত্ব, ভিন্নধৰ্মী ঘটনাক কেন্দ্ৰিকৰণ, নাটকীয় পৰিস্থিতিৰ উপস্থাপন আৰু দ্বৈত কথনভঙ্গী আদিয়ে চুটিগল্পৰ শেহতীয়া শিতানত তেওঁক অধিষ্ঠিত কৰোৱাইছে। সৃষ্টিশীল কল্পনা আৰু ধীশক্তিৰ সংযোগ ঘটাই গল্পৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰাটো মনোৰমা দাস মেধিৰ অন্যতম বিশেষত্ব। বিগত নব্বৈৰ দশকত ৰচিত গল্প সম্ভাৰেৰে তেওঁৰ উল্লেখযোগ্য গল্পপুথি হ'ল— প্ৰেমগাঁথা (২০০৩), সপোনৰ সোনাৰু (২০০৩)।

সাম্প্ৰতিক কাল আৰু মেজাজৰ কথা লিখি জনপ্ৰিয় হোৱা এগৰাকী গল্পলেখক হ'ল মনোজ কুমাৰ গোস্বামী। স্বপ্নভংগ আৰু নিঃসংগতাৰ নৈৰ্ব্যক্তিক উপস্থাপনে গোস্বামীৰ গল্পক আকস্মিকতাৰ আনন্দ প্ৰদান কৰে আৰু পাঠকৰ মনৰ অটল কক্ষলৈ তাৰ শিহৰণ সোমাই যায়। 'সমীৰণ বৰুৱা আহি আছে' এনে এটা গল্প। ছাঁ পোহৰৰ সন্ধিক্ষণ, ধূসৰ আৰু ৰহস্যময়তাৰে ভৰা বাংময় পৃথিৱীৰ সঁচা চিত্ৰ তেওঁৰ গল্পৰ দুৰ্লভ সম্পদ। তদুপৰি গল্পবোৰৰ নিৰ্মাণশৈলী অভিনৱ। সহজভাৱে কোৱা ভাষাৰ সন্মোহনে পাঠকক চমৎকাৰ কৰি তোলে। ঈশ্বৰহীনতা, স্বাধীনতা, সমীৰণ বৰুৱা আহি আছে, মই ৰাজেন বৰুৱাক সমৰ্থন কৰোঁ, এলুমিনিয়ামৰ আঙুলি আদি গোস্বামীৰ সাৰ্থক গল্পৰ সংকলন।

বিংশ শতিকাৰ শেষ দশকৰ চুটিগল্পক ব্যক্তি স্বতন্ত্ৰতাৰে ভৰাই তোলা গল্পলেখক অনুৰাধা শৰ্মা পূজাৰী। নিজে নাৰী হৈও নাৰীকেন্দ্ৰিকতা বা লিংগ বৈষম্যৰ সীমাৱদ্ধতাৰ পৰা তেওঁৰ গল্প মুক্ত। চিৰাচৰিত নিয়ম-শৃংখলাৰ উৰ্দ্ধৰ এক বাঞ্ছিত পৰ্যায়ত বাস কৰাৰ প্ৰৱণতা তেওঁৰ গল্পত অতি স্পষ্টভাৱে দেখা যায়। আভিজাত্যৰ ফোঁপোলা স্বৰূপ উদঙাই দি তাক তীব্ৰ আক্ৰমণ কৰাৰ উদাহৰণো তেওঁৰ গল্পত নোহোৱা নহয়। নৈৰ্ব্যক্তিকতা পূজাৰীৰ গল্পৰ বিশেষ গুণ। পৰম্পৰাগত প্ৰকাশশৈলী থাকিলেও তেওঁৰ কোনো কোনো গল্পত স্বগতোক্তি, বাক্যলাপ আদি মৰ্মস্পৰ্শী হোৱা দেখা যায়। সাম্প্ৰতিক সময়ৰ সৰু-বৰ কথাক অৱলম্বন হিচাপে লৈ লিখা তেওঁৰ ভালেকেইটা গল্প অতি আকৰ্ষণীয়। বসন্তৰ গান (১৯৯৯), এজন অসামাজিক কবিৰ বায়গ্ৰাফী (২০০১), কেথেৰিণাৰ সৈতে এটি নিৰ্জন দুপৰীয়া (২০০৫), ন'মৈনছ্ লেণ্ড (২০০৮) আদি অনুৰাধা শৰ্মা পূজাৰীৰ উল্লেখনীয় গল্পপুথি।

সত্তৰৰ দশকৰ চুটিগল্পক এটা সুকীয়া ধাৰাৰ সতে সংযোগ ঘটোৱা এগৰাকী গল্পলেখক হ'ল ৰবীন শৰ্মা। সমাজৰ নিপীড়িত মানুহৰ প্ৰতি সহমৰ্মিতা, মৌন প্ৰতিবাদ, লোকজীৱন গাঁথা, বৰ্ণবাদৰ প্ৰতি বিৰুদ্ধভাৱ, মূল্যবোধৰ অৱক্ষয়, প্ৰেমৰ বহুধা বিভক্ত ৰূপ চিত্ৰায়ন আদি বৈশিষ্টবোৰে ৰবীন শৰ্মাৰ গল্পক বিশেষ মাত্ৰা প্ৰদান কৰা পৰিলক্ষিত হয়। এইক্ষেত্ৰত লোকভাষাৰ আড়ম্বৰপূৰ্ণ প্ৰয়োগে শৰ্মাৰ গল্পৰ কথনভংগীক স্বকীয়ত্ব প্ৰদান কৰাটো বিশেষ মন কৰিবলগীয়া। অবিস্মৰণীয় সৃষ্টি 'পাঞ্চাৰ পাঁচালী'ৰ জৰিয়তে তেওঁক সকলোৰে মনত ৰাখিব বুলি আশা কৰিব পাৰি। ইয়াৰ উপৰিও চং, কথা-ভগীৰথ, মুখা আদি তেওঁৰ আন সাৰ্থক গল্পৰ সংকলন।

সাম্প্রতিক কালৰ শেষ দশকৰ প্ৰতিশ্ৰুতিসম্পন্ন গল্পলেখক হ'ল শিৱানন্দ কাকতি। ষাঠি সত্তৰ দশকৰ পিছত অৱদমিত হোৱা গল্পৰ গতিধাৰাক পুনৰ সজল কৰাসকলৰ ভিতৰত শিৱানন্দ কাকতি অন্যতম।

এক সুকীয়া মননশীলতাৰে গল্পৰ চৰ্চা কৰা ব্যক্তিগৰাকী হ'ল ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী। তেওঁৰ লেখনিৰ মূল আধাৰ মানুহৰ মনোজগত। ব্যতিক্ৰমী আংগিকৰ সংযোগ ঘটাই তেওঁ গদ্যক ৰসোত্তীৰ্ণ কৰি তোলা দেখা যায়। নতুন দৃষ্টিৰে বৰ্ণনীয় বিষয়ক ন-যুক্তিৰ ভেটিত প্ৰতিষ্ঠা কৰি দেৱচৌধুৰীয়ে বক্তব্য বিষয়ৰ গ্ৰহণযোগ্যতা অটুট ৰাখিব পাৰে। অন্যায়-অসত্যৰে ভৰা সময়ৰ বিৰুদ্ধে আত্মহত্যাও যে এক যুক্তিসংগত প্ৰতিবাদ হ'ব পাৰে; সেই কথাৰ উপস্থাপনেৰে ৰচনা কৰা 'পলাতক' গল্পটোৱে ইয়াৰ প্ৰমাণ। মুঠতে, গল্পকাৰ হিচাপে ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ বিষয়বস্তু সদায়ে ভাষাৰ সাৱলীলতা আৰু বক্তব্যৰ স্পষ্টতাৰে সংগতিপূৰ্ণ। তেওঁৰ ভিন্ন স্বাদৰ গল্পসমূহে গল্পলেখকৰ ব্যতিক্ৰমী চিন্তাদৰ্শক প্ৰতিফলিত কৰিছে। 'মোৰ মৃত্যুত মই', 'সাৰদা মিশ্ৰ', 'চেতনাৰ প্ৰতিধ্বনি', 'গল্প লিখাৰ গল্প', 'মৃত্যুশয্যা', 'সাংস্কৃতিক', 'পলাতক', 'ঈশ্বৰৰ দেশ', 'মোক পৱিত্ৰ কৰা', 'নতুন বছৰ' আদি এনেধৰণৰ গল্প।

সাম্প্ৰতিক কালৰ এজন জনপ্ৰিয় জনজাতীয় গল্পকাৰ হ'ল য়েছে দৰজে ঠংচি। সামাজিক, ৰাজনৈতিক, পৰম্পৰাগত বিশ্বাস-আস্থা, মানৱীয় প্ৰমূল্যবোধ, স্ব-গোষ্ঠীৰ মানুহৰ অন্তৰ্দ্বন্দ, সন্ত্ৰাসজৰ্জৰ ভাতৃঘাটি সংঘাত, বিশ্বাসঘাতকতা, আধুনিকতাৰ নামত ভোগবাদৰ উত্থান আদি প্ৰায় সকলো দিশেই এওঁৰ গল্পত মূৰ্তিমান। গল্পত ব্যৱহাৰ্য নিমজ সাৱলীল ভাষাই বৰ্ণনাৰ শ্ৰুতি-মধুৰতা আকস্মিকভাৱে বঢ়াই তোলা দেখা যায়। মূলতঃ পৰম্পৰাগত আৰু আধুনিক সমাজ জীৱনৰ দ্বন্দ তেওঁৰ প্ৰায় সকলো গল্পৰ বিষয়বস্তু। তথাপি পৰিবেশ-পৰিস্থিতিভেদে সেইবোৰৰ বক্তব্য ভিন্ন হ'বলৈ যেন বাধ্য। জনজাতীয় জীৱনৰ ভিত্তিত লিখা তেওঁৰ ভালেকেইটা গল্প সাৰ্থক তথা সুখপাঠ্য। তেওঁৰ গল্পসংকলন — পাপৰ পুখুৰী, বাঁহ ফুলৰ গোন্ধ, অন্য এখন প্ৰতিযোগিতা আদি। 'পাপৰ পুখুৰী'ৰ বাবে য়েছে দৰজে ঠংচিয়ে ২০০১ চনত অসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰে।

অসমীয়া চুটিগল্পৰ অতি সাম্প্ৰতিক ধাৰাটোৰ এগৰাকী উৎসাহী গল্পলেখক হ'ল কুল শইকীয়া। সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰি দেখা নগ্ন ৰূঢ় বাস্তৱৰ দণ্ড আৰু সংঘাতৰ মাজেদি তেওঁৰ

জীৱনবোধ গঢ় লৈ উঠিছে। এক ব্যতিক্ৰমী আংগিকেৰে মনৰ অন্তঃস্থলৰ ভাৱ-চিন্তাবোৰ নিৰৱচ্ছিন্নভাৱে গল্পত অংকন কৰিছে। কল্পবিজ্ঞান, কৰ্পৰেট জগত, চেতনাশ্ৰোত আদি নানান দিশৰ মাজতো শইকীয়াই মানৱীয় প্ৰমূল্যৰ অনুসন্ধান অব্যাহত ৰাখিছে। পাঠকৰ বোধ আৰু মননক দাবী কৰি ৰচনা কৰা তেওঁৰ গল্পৰ সংকলনকেইখন হ'ল— তীৰ্থ ডেকাৰ নিৰুদ্দেশৰ পিছৰ ছোৱা আখৰাত মই আৰু অন্যান্য, গ্ৰহান্তৰ, গল্প আঁৰৰ মানুহ, বেলিফুলৰ ছবি, মৃত্যুহীনতা আৰু অন্যান্য গল্প, বাইলেন নং ৩, আড্ডা, একডজন গল্প, আৰু কেইটামান গল্প, ঘড়ী, অলকানন্দা এপাৰ্টমেণ্ট, মাথোঁ গল্প, প্ৰায় মানুহ, আকাশৰ ছবি আৰু অন্যান্য গল্প, চলিহাৰ চহৰ আদি।

এইদৰে আলোচনা কৰিলে দেখা যায় যে অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা আৰু বহু গল্পকাৰ আছে। নতুন পৰীক্ষা-নিৰীক্ষাৰে চুটিগল্পক ব্যাপ্তি আৰু প্ৰতিষ্ঠাৰ উপৰিও জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত এওঁলোকৰ অৱদান প্ৰচুৰ। সেই সময়ৰ গল্পকাৰসকলৰ ভিতৰত — অনিল শইকীয়া, অখিল চক্ৰৱৰ্তী, অভিজিত শৰ্মা বৰুৱা, অৰ্পণ শইকীয়া, অতুল বৰা, আনন্দ গোস্বামী, ইন্দ্ৰকান্ত কাৰ্কী, উদয়াদিত্য ভঁৰালী, কমলা বৰগোঁহাই, কৈলাশ শৰ্মা, গুণীন্দ্ৰ গায়ন, গোবিন্দ দাস, চন্দ্ৰ বৰপাত্ৰ গোঁহাই, জয়কান্ত গন্ধিয়া, জিতেন শৰ্মা, জয়ন্ত ৰঞ্জন চেতিয়া, জ্যোতিদেৱ গোস্বামী, তপন কুমাৰ বৰুৱা, তোষেশ্বৰ চেতিয়া, দুৰ্লভ বুঢ়াগোঁহাই, দীপালি ডেকা, নয়ন কুমাৰ মেধি, নলিনীকান্ত শৰ্মা, নবীন বৰুৱা, পৰাগ কুমাৰ ভট্টাচাৰ্য, পুলিন শৰ্মা, পূৰবী তামুলী, পৰমানন্দ ৰাজবংশী, প্ৰনতি গোস্বামী, প্ৰশান্ত আচাৰ্য, প্ৰসাদ ফুকন, প্ৰদীপ হাজৰিকা, প্ৰশান্ত কুমাৰ দাস, প্ৰভাত গোস্বামী, প্ৰদীপ কুমাৰ পূজাৰী, প্ৰশান্ত ৰাজগুৰু, ফুল গোস্বামী, ফনী মহন্ত, ফনীন্দ্ৰনাথ গায়ন, বিকিৰণ বৰদলৈ, বিপুল কুমাৰ শইকীয়া, বিজয় শংকৰ শৰ্মা, বনানী চৌধুৰী, বিৰিঞ্চি কুমাৰ মেধি, বসন্ত কুমাৰ ভট্টাচাৰ্য, বন্দিতা ফুকন, বিজয়কৃষ্ণ দেৱশৰ্মা, ব্ৰজেন বৰা, ভূপেন শৰ্মা, ভগৱান শৰ্মা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, ভূপেন্দ্ৰ কুমাৰ শৰ্মা, ভৃঙ্গেশ্বৰ শৰ্মা, ভুবন বৰুৱা, মদন শৰ্মা, মিনাক্ষী চৌধুৰী, মানিক বৰা, মিনতি চৌধুৰী, মিহিৰ কান্ত বৰুৱা, মনোৰমা বৰগোহাঞি, যমুনা শৰ্মা চৌধুৰী, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, ৰত্নেশ্বৰ মেধি, ডাঃ ৰবীন মজুমদাৰ, ৰূপম বৰুৱা, ৰংবং তেৰাং, ৰূপশ্ৰী গোস্বামী, ৰাজীৱ বৰুৱা, ৰবীন বৰুৱা, ৰবীন চন্দ্ৰ শৰ্মা, ৰুবী দেউৰী, শিৱানন্দ কাকতি, সত্যসুন্দৰ বৰুৱা, সুৰেশ চক্ৰৱৰ্তী, স্যমন্ত ফুকন, সুবৰ্ণ কোঁৱৰ, হিৰণ্য কাশ্যপ, হৰিদেৱ মহন্ত, হেমপ্ৰসাদ শৰ্মা, হেমন্ত বৰ্মণ, মৌচুমী কন্দলী, মনালিছা শইকীয়া, অৰূপ

কুমাৰ নাথ, বন্তি শেনচোৱা আদি। উল্লিখিত সকলো গল্পলেখক-লেখিকাই সময় সাপেক্ষে নানা পৰীক্ষা-নিৰীক্ষা আদিৰে গল্প সাহিত্যক বহুখিনি আগবঢ়াই নিছে। এওঁলোকৰ সাধনাৰ ফলতে অসমীয়া চুটিগল্পই বিশ্বৰ আন গল্পৰ সৈতে একেশাৰীত স্থান লাভৰ যোগ্যতা অৰ্জন কৰিছে। এই পৰম্পৰা অব্যাহত থাকিলে ভৱিষ্যতলৈ অসমীয়া গল্প সাহিত্যই আৰু উন্নতি লাভ কৰিব বুলি আশা কৰিব পাৰি।

**০.২ অসমীয়া চুটিগল্পৰ শ্ৰেণীবিভাগ**

অসমীয়া সাহিত্যৰ অন্যতম শাখা চুটিগল্প। ইয়াৰ লিখন প্ৰক্ৰিয়া তিনিটা ৰীতিৰ ওপৰত নিৰ্ভৰশীল। প্ৰথমতে, ঘটনাক কেন্দ্ৰ হিচাপে লৈ কেইটামান চৰিত্ৰ নিৰ্মাণ কৰা হয়। দ্বিতীয়তে, ঘটনা আৰু পৰিস্থিতিৰ সহায়ত এটা চৰিত্ৰৰ সৃষ্টি কৰা হয়। তৃতীয়তে, ঘটনা আৰু চৰিত্ৰৰ সমাৱেশ ঘটাই নিৰ্দিষ্ট বাতাবৰণ সৃষ্টি কৰা হয়। এই তিনিধৰণৰ ৰীতি অনুযায়ী চুটিগল্পক ক্ৰমে ঘটনা প্ৰধান, চৰিত্ৰ-প্ৰধান আৰু পৰিৱেশ বা পৰিস্থিতি প্ৰধান আদি ভাগত ভগাব পৰা যায়। উল্লেখ্য যে এনে বিভাজনৰ সীমাৰেখা সুদৃঢ় নহয়। কিয়নো একেটা গল্পকে কাহিনী প্ৰধান, চৰিত্ৰ প্ৰধান বা পৰিৱেশ প্ৰধান বোলাৰ সুবিধা অনৱৰতে থাকি যায়।

চুটিগল্প ৰচনাৰ ক্ষেত্ৰত কাহিনী বা বিষয়বস্তুৰ গুৰুত্ব অসীম। এই বিষয়বস্তু বিভিন্ন উৎসৰপৰা আহৰণ কৰা হ'ব পাৰে। সেয়েহে বিষয়বস্তুৰ গুৰুত্ব অনুযায়ী চুটিগল্পক আন কেইটামান শাখাত ভাগ কৰিব পৰা যায়। যেনে— সামাজিক, গাৰ্হস্থ্য, বাস্তৱনিষ্ঠ, প্ৰেম বিষয়ক, হাস্যৰসাত্মক, মনস্তাত্ত্বিক, অতিপ্ৰাকৃত, সাংকেতিক (প্ৰতীকী), ঐতিহাসিক, বৈজ্ঞানিক, দাৰ্শনিক, ৰাজনৈতিক, অলৌকিক, অপৰাধমূলক আৰু ডিটেক্টিভ আদি। বৰ্তমানলৈ ৰচিত সকলো অসমীয়া চুটিগল্পয়ে উল্লিখিত বিভাগৰ অন্তৰ্গত। গল্পৰ ৰীতি-প্ৰকৃতিয়ে উক্ত বিভাগবোৰক অৱশ্যে অধিক বৈচিত্ৰপূৰ্ণ কৰি তুলিব পাৰে।

**০.৩ গৱেষণাৰ লক্ষ্য আৰু উদ্দেশ্য**

লক্ষ্মীনাথ ফুকন এগৰাকী ওজা সাংবাদিক। আদৰ্শগত দিশত স্থিৰ আৰু সুচিন্তক। তদুপৰি তেওঁ এগৰাকী কবি, ঔপন্যাসিক আৰু জীৱনী ৰচক। এই ক্ষেত্ৰত আনৰ প্ৰভাৱ আদিৰ দ্বাৰা তেওঁ

প্রভাৱিত হোৱাৰ সম্ভাৱনাও প্রচুৰ। গতিকে এই সকলোবোৰৰ মাজতে এগৰাকী স্বকীয় দৃষ্টিসম্পন্ন গল্পকাৰ হিচাপে তেওঁৰ গল্পৰ পুংখানুপুংখ অধ্যয়ন আমাৰ গৱেষণাৰ প্ৰাথমিক উদ্দেশ্য। ইয়াৰ বাবে বিভিন্ন শিতানক অধ্যয়নৰ প্ৰাথমিক লক্ষ্য হিচাপে স্থিৰ কৰা হৈছে। যেনে — লক্ষ্মীনাথ ফুকনৰ জীৱন আৰু সাহিত্যকৃতি, চুটিগল্পৰ শ্ৰেণীবিভাগ বিষয় আৰু বৈশিষ্টাৱলী ব্যতিক্ৰমধৰ্মী চাৰিত্ৰিক বৈশিষ্ট্যৰ বিচাৰ, গল্পৰ সমাজ প্ৰেক্ষাপট, ব্যঙ্গধাৰাত গল্পকাৰৰ স্বকীয়ত্বৰ সম্ভাৱনা আৰু তাৰ অনুসন্ধান, তত্ত্ব আৰু ৰীতিৰ ব্যৱহাৰিক পৰিমাণ, পূৰ্বাপৰ ধাৰণাৰ সত্যাসত্য নিৰূপন আদি। তাৰ পিছত অৱশ্যে লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত ব্যঙ্গাত্মক আৰু বিচিত্ৰ চৰিত্ৰ চিত্ৰণৰ পাৰদৰ্শিতা প্ৰতিষ্ঠাকৰণক শেষতম লক্ষ্য হিচাপে আমাৰ গৱেষণা কৰ্ম আগবাঢ়ি যাব।

### ০.৪ গৱেষণাৰ পৰিসৰ

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ গৱেষণামূলক অধ্যয়নৰ পৰিসৰ সীমাৱদ্ধ। অৰ্থাৎ গল্পকাৰগৰাকীৰ পাঁচখন গল্প পুথিৰ মুঠ চল্লিশটা চুটিগল্পক এই অধ্যয়নৰ পৰিসৰে সামৰি লৈছে।

### ০.৫ গৱেষণাৰ প্ৰমেয়

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ গৱেষণামূলক অধ্যয়নৰ বাবে নিৰ্দিষ্ট প্ৰমেয় স্থিৰ কৰা হৈছে। তলত প্ৰমেয়কেইটা উল্লেখ কৰা হ'ল —

(ক) লক্ষ্মীনাথ ফুকনৰ চুটিগল্প বিচিত্ৰ ঘটনাৰ সমাহৰণ।

(খ) লক্ষ্মীনাথ ফুকনৰ চুটিগল্প বিভিন্ন চৰিত্ৰৰে নিৰ্মিত।

(গ) লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত তৎকালীন সমাজৰ ব্যঙ্গাত্মক চিত্ৰ বৰ্তমান।

(ঘ) লক্ষ্মীনাথ ফুকনৰ চুটিগল্পত নাৰী চৰিত্ৰৰ অৱস্থান সুকীয়া।

(ঙ) লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ বৰ্ণনশৈলী সহজ-সৰল।

### ০.৬ গৱেষণাৰ পদ্ধতি

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ অধ্যয়নৰ সময়ত মূলতঃ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। প্ৰয়োজনবিশেষে অৱশ্যে পৰিচয়মূলক আৰু ঐতিহাসিক পদ্ধতিও গ্ৰহণ কৰা হৈছে।

অধ্যয়নৰ কালচোৱাত পুথিভঁৰাল, সাক্ষাৎকাৰ, ইণ্টাৰনেটত অনুসন্ধানমূলকভাৱে বিষয় জড়িত তথ্য সংগ্ৰহ কৰা হৈছে।

গৱেষণা কালত মূলতঃ দুই ধৰণৰ উৎস লোৱা হৈছে। এবিধ প্ৰাথমিক আৰু আনবিধ গৌণ। প্ৰাথমিক উৎসৰূপে লিখকৰ পাঁচখন গল্পপুথিৰ অন্তৰ্গত চল্লিশটা গল্পক লোৱা হৈছে। গৌণ উৎসৰূপে বিষয় সংশ্লিষ্ট আন লেখকৰ গ্ৰন্থ, প্ৰবন্ধ, সমালোচনা, পত্ৰ-পত্ৰিকাত পোৱা মতামত, উক্তি আদি লোৱা হৈছে।

**০.৭ গৱেষণা কৰ্মৰ সম্ভাৱ্য ফলাফল**

লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ গৱেষণামূলক অধ্যয়ন সম্পূৰ্ণ হ'লে কেইটামান ফলাফল আশা কৰিব পাৰি। সমাজ সামগ্ৰিকতালৈ লক্ষ্য কৰি পাব লগা ফলাফল নিম্নলিখিত ধৰণৰ হ'ব পাৰে। যেনে —

প্ৰথমতে, অসমীয়া সাহিত্যই এখন গৱেষণামূলক গ্ৰন্থ লাভ কৰিব।

দ্বিতীয়তে, অসমীয়া সাহিত্যৰ বুৰঞ্জীত এজন গল্পকাৰৰ প্ৰতিষ্ঠাৰ নৱীকৰণ হ'ব।

তৃতীয়তে, অসমীয়া সমাজৰ পৰিৱৰ্তনশীলতাৰ তথ্যসিদ্ধ দলিল হৈ এই অধ্যয়নে নতুন প্ৰজন্মক সামাজিক শিক্ষাৰ বাট দেখুৱাব।

চতুৰ্থতে, কু-সংস্কাৰ আৰু সংকীৰ্ণতাৰ প্ৰতি সচেতনতা বৃদ্ধি কৰি বিজ্ঞানসন্মত দৃষ্টি ধাৰণৰ সাহস দিব।

পঞ্চমতে, নাৰী সমাজক নিজৰ বিগত স্থিতি অৱগতকৰণেৰে ভৱিষ্যৎ উত্তৰণৰ বাবে মানসিক সাহস দিব।

ষষ্ঠতে, সমাজৰ সৰ্বাংগীণ উত্তৰণত নাৰী-পুৰুষৰ সম-মৰ্যাদাৰ প্ৰাসঙ্গিকতাক দৃঢ়তাৰে দেখুৱাই দিব।

সপ্তমতে, বিষয় সংশ্লিষ্ট সকলো দিশত নতুন প্ৰজন্মৰ বাবে অধ্যয়নৰ বাট প্ৰশস্ত কৰিব।

✦✦✦✦